pdf By Syed Mostafa Sakib

ক্বুৰ্আন হাদীচৰ আলোকত

# ইল্‌মে গায়বৰ আক্বীদাহ

কালামুল ইছলাম- ৩

قران حديث كى روشنى مي عقيده علم غيب

১। "আল্লাহ পাকে তেওঁৰ মনোনীত ৰছুল সকলৰ বাহিৰে অন্য কাৰোবাক অদৃশ্য বিষয় সম্পৰ্কে অৱগত নকৰে।" (ছুৰা 'জীন', আয়াত ২৬, ২৭)

২। "এই নবী (স্বাঃ) গায়ব প্ৰকাশৰ ক্ষেত্ৰত কৃপণ নহয়।" (ছুৰা 'তাকবীৰ' আয়াত ২৩)

৩। "হুজুৰ পাক (স্বাঃ)এ সেই ক্ষেত্ৰত ক্বিয়ামত পৰ্য্যন্ত যি সংঘটিত হ'ব সকলো বস্তুৰে সংবাদ দিছে, একোৱে বাদ দিয়া নাই। যিসকলৰ বাবে সম্ভৱপৰ, সিহঁতে সকলো মনত ৰাখিছে আৰু বহুতেই পাহৰিও গৈছে।" (মিশ্বকাত শ্বৰীফ, বুখাৰী ও মুছলিম শ্বৰীফ)

৪। হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মাইছে-"আল্লাহ তাআ'লাই মোৰ সন্মুখত সমগ্ৰ পৃথিৱীকে এনেদৰে সংকুচিত কৰি দিছে যে, মই পৃথিৱীৰ পূব প্ৰান্ত ওপশ্চিম প্ৰান্তৰ সকলো বস্তু নিজ চকুৰে অৱলোকন কৰিছো।" (মিশ্বকাত শ্বৰীফ)

محمد فاروق عبدالله نورى

মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী

'Qur-an Hadisor Alokat Ilme Gaibor Aqidah' : A booklet written by Muhd. Faruque Abdullah Noori according to the advice of Hazarat A'llama Alhaj Mufti Sayed Shahid Ali Miyan Noori Rezvee Zamali Qadri Saheb, Principal, Al-Jamia'tul Islamia Madrassa, Rampur (U.P) and published by Raza Foundation, Muslimghopa, Sipajhar, Darrang (Assam) Price : Rs 15.00 (Fifteen) only.

RAZA FOUNDATION ✱ Estd.2006 ✱ MUSLIMGHOPA

প্ৰথম প্ৰকাশ ঃ নৱেম্বৰ, ২০১২ ইং।

প্ৰকাশক ঃ ৰাজা ফাউণ্ডেশ্বন (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ),
মুছলিমঘোপা, ছিপাঝাৰ, দৰং (অসম)
পিন- ৭৮৪১৪৫
স্থাপিত ইং- ২০০৬ চন।
ফোন ঃ ৯৮৫৪৮০৭০৪১

পৰামৰ্শক্ৰমে ঃ ছৈয়্যদ শ্বাহীদ আলী মিঞাঁ নূৰী ৰিজৱী জামালী ক্বাদ্‌ৰী চাহেব, অধ্যক্ষ আল্ জা-মিআ'তুল ইছলামীয়া মাদ্ৰাছা, ৰামপুৰ (উত্তৰপ্ৰদেশ)

মুখ্য নিৰীক্ষক ঃ হজৰত মাওলানা মুফ্‌তী মুহাম্মদ ৱালিউদ্দিন আহমেদ ৰিজৱী মিশ্বাহী চাহেব, শিক্ষক, সদৌ অসম আহ্‌লে ছুন্নত ছায়েদীয়া মাদ্ৰাছা, বুঢ়ীগাঁও, দলগাঁও, দৰং (অসম)

C ঃ লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

মুদ্ৰণ ঃ পাৰামাউণ্ট অফছেট, বৰদৌলগুৰি, দৰং, (অসম)

অৰিহণা ঃ ১৫.০০ (পোন্ধৰ) টকা মাত্ৰ

দ্বীনী S.M.S সেৱা ঃ আপোনাৰ ম'বাইলত JOIN MARKAZSMS লিখি পঠিয়াই দিয়ক ৯২১৯৫৯২১৯৫ বা ৫৬৭৬৭৮ লৈ আৰু ইয়াৰ জৰিয়তে আপুনি লাভ কৰিব হাদীচ শ্বৰীফ আৰু দ্বীনী তথ্য সম্পূৰ্ণ বিনামূলীয়াকৈ।

প্ৰতি, হজৰত আল্লামা মুফ্‌তী গোলাম জ্বামানী ৰেজ্বী- চাহেবলৈ আদৰেৰে



ফাৰুক আব্দুল্লাহ
১৩/১২/১২

# অভিমত

বিছ্‌মিল্লাহিৰ ৰাহ্‌মানিৰ ৰাহীম

"আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা ৱা মাওলানা মুসাম্মাদ,
ৱা আ'লা আলিহি ৱা আস্‌হাবিহি আয্‌মাঈ'ন।"

বিশিষ্ট প্ৰবন্ধকাৰ মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী চাহেবৰ ৰচিত 'ক্বুৰ্আন হাদীচৰ আলোকত ইল্‌মে গায়বৰ আক্বীদাহ'ৰ পাণ্ডুলিপিটো আৰম্ভণিৰ পৰা শেষলৈ সবিস্তাৰে পঢ়ি চাই সুখ অনুভৱ কৰিলোঁ। বৰ্ত্তমান সময়ত জন মানসত চাহিদা পূৰণৰ উপযোগী হোৱাকৈ কিতাপখন লিখি উলিয়াবলৈ লেখকে যথেষ্ট কষ্ট কৰিছে। প্ৰয়োজনীয় প্ৰতিটো পইণ্ট (Point) চুই তাৰ অতিৰিক্ত নোহোৱাকৈ যথাযথ কথা উপস্থাপন কৰা দেখা গৈছে। লেখকৰ প্ৰচেষ্টাৰ দ্বাৰা ইছলামৰ উপকাৰ হওঁক, আল্লাহ পাক ও তেখেতৰ ৰছুল স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম সন্তুষ্ট হওঁক এয়ে মোৰ একান্ত কামনা। অসমত বিশ্লেষণধৰ্মী ইছলামী লেখক যথেষ্ঠ তাকৰ। সেয়ে নূৰী চাহেবৰ দৰে এচাম লেখক আজি অতি প্ৰয়োজন হৈ পৰিছে। নূৰী চাহেবৰ লেখনীৰ জৰিয়তে বিভিন্নজন মনিষীৰ অভিমত, ৰচনা আৰু বক্তব্যৰ সোৱাদ আমি পাবলৈ সমৰ্থ হৈছো। আমাৰ সমাজে যথেষ্ঠ চিন্তা চৰ্চা সহকাৰে ইছলামক বিকৃত নকৰাকৈ দ্বীনৰ ভিতৰত প্ৰৱেশ কৰিব লাগিব। অন্যথাই আমাৰ ৰাজহাড় ভাঙি যাব। যাৰ বাবে গভীৰ অধ্যয়ন আৰু একান্ত নিষ্ঠা অতি প্ৰয়োজন। আল্লাহ পাকে এই গুণ নূৰী চাহেবৰ লগতে আমাকো দান কৰক। এখেতৰ বিভিন্ন বিষয়ত লেখনী ইতিমধ্যে 'অসমীয়া খবৰ', 'দৈনিক অগ্ৰদূত', 'নিয়মীয়া বাৰ্তা' বাতৰি কাকত আদিৰ লগতে বিভিন্ন আলোচনীত আমি পঢ়িবলৈ পাইছো। ইয়াৰ দ্বাৰা ইছলামী পাঠক সমাজ বহু কথা অৱগত হ'ব পাৰিছে। নূৰী চাহেবৰ লেখাত অতিৰিক্ততা নাই। আশা ৰাখিছো এখেতৰ লেখা কাৰ্য্য অব্যাহত থাকক। আল্লাহ ৰাব্বুল আ'লামিনে দ্বীন ইছলামক আমাক সঠিকভাৱে বুজিবলৈ আৰু তাক্ৱাৰ সৈতে দ্বীনত অন্তৰ্ভূক্ত হ'বলৈ তৌফিক দান কৰক। লেখকৰ প্ৰচেষ্টা আল্লাহে ক্বুবুল কৰক। আ-মীন।

মাওলানা মুহাম্মদ নবীউল হক ৰিজৱী
বিশিষ্ট প্ৰবন্ধকাৰ আৰু ইছলামী চিন্তাবিদ
হাতীগাঁও, গুৱাহাটী-৩৮
তাং- ২৫-০৯-২০১২



pdf By Syed Mostofa Sakib

pdf By Syed Mostafa Sakib



# ভূমিকা

বিছমিল্লাহিৰ ৰাস্‌মানিৰ ৰাসীম

"আল্লাহু ৰাব্বু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা,
নাস্‌নু ই'বাদু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা।"

প্ৰিয়নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ 'ইল্‌মে গায়ব' সন্দৰ্ভত 'আহ্‌লে হাদীচ', 'দেওবন্দী' আদি পন্থী সকলে যি নএগ্ৰাৰ্থক মন্তব্য কৰে আৰু সেই সম্পৰ্কে লিখিত আকাৰে হওঁক, ভাষণ প্ৰসঙ্গত হওঁক, বিভিন্ন কথা প্ৰসঙ্গতে হওঁক, সমাজত হওঁক, ব্যক্তিগতভাৱে হওঁক প্ৰচাৰ কৰা দেখা যায়। ই আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ বাবে এক গ্ৰহণযোগ্য কথা নহয়। উদাহৰণ স্বৰূপে এ, নাদৰী চাহেবে তেওঁৰ বিভিন্ন সময়ৰ অন্তৰে অন্তৰে প্ৰকাশ কৰি অহা 'জীৱন জ্যোতি' নামৰ পুস্তিকা সমূহত ইয়াৰ বিষয় উনুকিওৱা হৈছে। সেয়ে সাধাৰণ ৰাইজে এইবোৰ বিশ্বাস কৰি লোৱাৰ আগতেই ইয়াৰ বিপৰীত কথাটোক অৰ্থাৎ হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ যে আল্লাহ প্ৰদত্ত অদৃশ্য জ্ঞান আছিল (ৰছুলুল্লাহ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম ইল্‌মে গায়বৰ খালিক্ব নহয়) তাক পবিত্ৰ ক্বুৰ্আন, হাদীচ শ্বৰীফ, ফিক্বাহ, সোঁ-পন্থী, বাঁওপন্থী প্ৰকৃত অনুভৱী প্ৰত্যেকজন আ'লীম তথা জ্ঞানী ব্যক্তিৰ হাৱালা সহকাৰে এই পুস্তিকাত বিস্তৃত বিৱৰণ দাঙি ধৰা হ'ল। এয়া কশ্বফ সম্পৰ্কে আমি কোৱা নাই। অদৃশ্য জ্ঞান সম্পৰ্কেহে কৈছো। পৰৱৰ্তী সময়ত এই বিষয়ত গৱেষণাৰ জৰিয়তে অধিক তথ্য প্ৰকাশ কৰা হ'ব। গ্ৰন্থখনিত অনিচ্ছাকৃতভাৱে হ'ব পৰা ভুল ক্ৰুটিৰ বাবে আল্লাহৰ ওচৰত ক্ষমা বিচাৰিছো। পাঠক বৃন্দলৈ অনুৰোধ থাকিল যে কোনো ভুল-ক্ৰটি দৃষ্টিগোচৰ হ'লে আঙুলিয়াই দিয়ে যেন। পৰৱৰ্তী সংস্কৰণত শুধৰাই দিয়াৰ চেষ্টা কৰা হ'ব। আল্লাহ পাকে তেখেতৰ দ্বাৰা মনোনীত ধৰ্মক আমাক বুজিবলৈ আৰু প্ৰিয়নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম জনাক এশ শতাংশ অনুসৰণ কৰি মৃত্যুবৰণ কৰিবলৈ তৌফিক দান কৰক। মহান আল্লাহ তাআ'লাই মোৰ এই ক্ষুদ্ৰ প্ৰচেষ্টাক ক্ববুল কৰক। আ-মীন বি জাহে ছায়্যিদুল মুৰছালিন স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম।

-লেখক

তাং- ২২-০৯-২০১২ ইং





-বিছমিল্লাহিৰ ৰাস্‌মানিৰ ৰাসীম-
নাস্‌মাদুহু ৱা নুস্বাল্লী আ'লা ৰাছুলিহিল কাৰীম

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ মুঅ'জিজা সমূহৰ ভিতৰত ইল্‌মে গায়ব এটা উৎকৃষ্ট মুঅ'জিজা। ইয়াৰ ওপৰত মুফাচ্ছিৰীণ কিৰাম সকল ঐক্যমত হৈছে। অৱশ্যে ইল্‌মে গায়ব জাতি আল্লাহৰ বাহিৰে আন কাৰোৰে নাই। এই ইল্‌ম আল্লাহৰ নিজস্ব ইল্‌ম, বান্দাৰ আয়ত্বৰ বাহিৰ। কিন্তু আল্লাহ পাকে নিজৰ পছন্দনীয় বান্দা অৰ্থাৎ নবী ও ৰছুল সকলক ইল্‌মে গায়ব অৱগত কৰে। ইয়াৰ ফলত আল্লাহৰ এই চিফতৰ তাৰতম্য নহয়। গায়েবৰ খবৰ পাওঁতাজনো আল্লাহৰ সমকক্ষ বুলি গণ্য নহয়। সেয়ে এনে মানিলে শ্বিৰ্ক হোৱাৰো শংকা নাই। বৰষুণৰ সময়, কালি কি কৰিব, ক'ত মৃত্যু হ'ব, গৰ্ভত কি আছে? এইবোৰৰ সংবাদ আম্বিয়া, আউলিয়া সকলে দিছে। হাদীচ ক্বুৰ্আনত ইয়াৰ প্ৰমাণ আছে। যেনেঃ হজৰত ইব্ৰাহীম (আঃ)ক হজৰত ইছহাক (আঃ)জন্ম হোৱাৰ সংবাদ, হজৰত জাকাৰীয়া (আঃ)ক হজৰত ইয়াস্‌য়া (আঃ), হজৰত মৰিয়ম (আঃ)ক হজৰত ইছা (আঃ) জন্ম হোৱাৰ সংবাদ দিছে। ইয়াৰ উপৰিও জঙ্গে বদৰত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে ফৰমাইছে- "অমুক কাফিৰ এই ঠাইত মৃত্যু হ'ব।" চাহাবা সকলে সেই নিৰ্দিষ্ট স্থানবোৰত চিন দি ৰাখিছিল। ঠিক সেই স্থানতে মৃত্যু হৈছে। ইয়াৰ অলপো ব্যতিক্ৰম হোৱা নাই। ইয়াৰ উপৰিও হুজুৰ পাক (স্বাঃ)এ ক্বিয়ামতৰ, দাজ্জালৰ, ইমাম মেহদী (আঃ)ৰ, হৌজে কৌছৰৰ, শ্বাফায়তৰ, হুছেইন (ৰাঃ)ৰ শ্বাহাদতৰ খবৰ দিছে। ইয়াক ইল্‌মে গায়ব 'আত্বায়ী' বুলি কোৱা হয়। এই সম্পৰ্কত ক্বুৰ্আন পাকৰ স্পষ্ট ঘোষণা- "আল্লাহ তাআ'লাই নিজৰ গায়বৰ কথা কাৰো ওচৰত প্ৰকাশ নকৰে একমাত্ৰ ৰছুল সকলৰ ভিতৰত যাক পছন্দ কৰে তেওঁক (ইল্‌মে গায়ব) দান কৰে।" হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ইল্‌মে গায়ব বা অদৃশ্যজ্ঞান সম্পৰ্কে আলোচনা কৰাৰ আগতে ইল্‌মে গায়বৰ সংজ্ঞা, প্ৰকাৰভেদ আৰু প্ৰকৃতি সম্বন্ধে আলোচনা কৰাটো প্ৰয়োজন। গায়ব হ'ল এনে এক অদৃশ্য বস্তু বা বিষয় যাক মানুহে চকু, নাক, কাণ ইত্যাদি ইন্দ্ৰিয় সমূহৰ সহায়ত উপলব্ধি কৰিব নোৱাৰে আৰু যিকোনো প্ৰমাণ অবিহনে সুস্পষ্টভাৱে সেই জ্ঞান, প্ৰকাৰ ও পৰিধিলৈ নাহে। পবিত্ৰ ক্বুৰ্আনৰ ছুৰা বাকাৰাৰ "য়ু মিনুনা-বিল্ গায়িব" আয়াতটোৰ ব্যাখ্যাত 'তফ্‌ছীৰে বায়জাবী'ত লিখা আছে- "গায়ব শব্দৰ দ্বাৰা অদৃশ্য বিষয়ক বুজোৱা হৈছে, যি ইন্দ্ৰিয় সমূহৰ দ্বাৰা উপলব্দি কৰা নাযায় আৰু সুস্পষ্টভাৱে জ্ঞানানুভূতিৰ পৰিধিলৈ নাহে।"

উদাহৰণ স্বৰূপে ক'ব পাৰি যে ভাৰতীয় সকলৰ বাবে মক্কা গায়ব বা অদৃশ্য নহয়। কাৰণ নিশ্চয় কোনোবাই নিজ চকুৰে চাই বা কাৰো পৰা শুনি কৈছে যে মক্কা এখন চহৰ। ই হৈছে ইন্দ্ৰিয়লব্ধ জ্ঞান। সেইদৰে খাদ্য সামগ্ৰীৰ স্বাদ, ঘ্ৰাণ ইত্যাদিও অদৃশ্য নহয়, কিয়নো এইবোৰ যদিও চকুৰে দেখা নাযায় তথাপিও অন্যান্য ইন্দ্ৰিয়ৰ সহায়ত উপলব্ধি কৰা যায়। আনহাতে জ্বিন, ফৰিস্তা, বেহেস্ত দোজোখ আমাৰ বাবে গায়ব বা অদৃশ্য। কাৰণ এইবোৰ

pdf By Syed Mostafa Sakib



ইন্দ্ৰিয়ৰ সহায়ত নাইবা বিনা দলিলেৰে কেৱল বিবেক-বুদ্ধিৰ দ্বাৰা অনুভৱ কৰিব নোৱাৰি।

ইল্‌মে গায়ব মূলতঃ দুই প্ৰকাৰ ঃ

১। আপেক্ষিক ইল্‌মে গায়ব ঃ যি গায়ব যুক্তি প্ৰমাণ ভিত্তিক অৰ্থাৎ প্ৰমাণাদিৰ দ্বাৰা অনুভৱ কৰা যায় তাকে আপেক্ষিক ইল্‌মে গায়ব বা 'ইল্‌মে গায়ব ইজাফি' বোলে। উদাহৰণস্বৰূপে বেহেস্ত দোজোখ আৰু আল্লাহৰ সত্বা ও গুণাৱলী সম্বন্ধে জগতৰ সৃষ্টি বস্তু আৰু কুৰ্‌আনৰ আয়াত সমূহ অৱলোকন কৰি জ্ঞান লাভ কৰিব পাৰি।

২। অদৃশ্য জ্ঞান ভাণ্ডাৰ ঃ যি গায়ব যুক্তি প্ৰমাণ বা দলিল আদিৰ সহায়তো উপলব্ধি কৰিব নোৱাৰি তাকে 'অদৃশ্য জ্ঞান ভাণ্ডাৰ' বা 'মাফাতিহুল গায়ব' বোলে। উদাহৰণস্বৰূপে ক্বিয়ামত কেতিয়া সংঘটিত হ'ব, মানুহৰ কেতিয়া মৃত্যু হ'ব, ভাগ্যৱান হোৱা নোহোৱা ইত্যাদি বিষয় সম্পৰ্কত জ্ঞান দলিল প্ৰমাণৰ দ্বাৰাও উপলব্ধি কৰা অসম্ভৱ।

'তফ্‌ছীৰে কবীৰ'ৰ ছুৰা বাকাৰাৰ আৰম্ভণিতে উক্ত আয়াতৰ ব্যাখ্যা প্ৰসঙ্গত উল্লেখ আছে-"সাধাৰণতে তফ্‌ছীৰকাৰ সকলৰ মতে গায়ব হ'ল এনে এটি বিষয় যি ইন্দ্ৰিয় সমূহৰ পৰা গোপন হৈ যায়। গায়বক দুটা ভাগত বিভক্ত কৰিব পাৰি। প্ৰথম প্ৰকাৰ গায়ব হ'ল সেইবোৰ অদৃশ্য বস্তু বা বিষয় যিবিলাক সম্পৰ্কে দলিলৰ দ্বাৰা অৱগত হ'ব পাৰি। দ্বিতীয় প্ৰকাৰ গায়ব হ'ল সেইবোৰ অদৃশ্য বিষয়াদি, যিবিলাক অৱগতিৰ বাবে কোনো দলিল প্ৰমাণ নাই।

**ইল্‌মে গায়ব সম্পৰ্কত আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ আক্বীদাহ—**

১। ইল্‌মে গায়ব থকা আৰু আলিমুল গায়ব (সৰ্ববিষয়জ্ঞাত) দুটা সম্পূৰ্ণ পৃথক বিষয়। আল্লাহ পাক হ'ল আলিমুল গায়ব (সৰ্ববিষয়জ্ঞাত) আৰু হুজুৰ ৰসূমতে আ'লম (স্বাঃ) হ'ল ইল্‌মে গায়বৰ অধিকাৰী কিন্তু আলিমুল গায়ব নহয়। আমি ইয়াৰ দাবী নকৰো।

২। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ জ্ঞান সমগ্ৰ সৃষ্টিকুলতকৈ অধিক।

৩। বিগত ও ভৱিষ্যতৰ সমস্ত ঘটনাৱলী যিবোৰ লৌহে মাহফুজত লিপিবদ্ধ আছে সেই সকলোবোৰ জ্ঞান আনকি তাতকৈও অধিক জ্ঞান হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক দান কৰা হৈছে। ইয়াত কোনো সন্দেহৰ অৱকাশ নাই।

৪। ক্বিয়ামত কেতিয়া সংঘটিত হ'ব সেই সম্পৰ্কে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে জ্ঞান লাভ কৰিছিল।

৫। আল্লাহ পাকে হজৰত মুসাম্মদ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম আৰু অন্যান্য আম্বিয়া (আঃ) সকলকো অদৃশ্য বিষয়ৰ জ্ঞান দান কৰিছে।

**কুৰ্‌আনী আয়াতৰ দ্বাৰা ইল্‌মে গায়বৰ প্ৰমাণঃ**

(১) পবিত্ৰ কুৰ্‌আন মযীদৰ ছুৰা বাকাৰাৰ ১৪৩ নং আয়াতত আছে-"এই ৰছুল তোমালোকৰ ৰক্ষণাবেক্ষণকাৰী ও সাক্ষী হ'ব।" 'তফ্‌ছীৰে মাদাৰিক'ত এই আয়াতৰ ব্যাখ্যাত লিখা আছে-"হুজুৰ নবী কাৰীম (স্বাঃ)ক আহ্বান কৰা হ'ব, তেওঁ(স্বাঃ)ৰ উম্মতৰ অৱস্থা সম্বন্ধে





প্ৰশ্ন কৰা হ'ব। তেতিয়া তেওঁ(স্বাঃ) নিজৰ উম্মতৰ ন্যায়-পৰায়ণতা সম্পৰ্কে সাক্ষী দিব।" সেয়েহে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম উম্মতৰ অৱস্থা সম্পৰ্কে অৱগত আছে। এই আয়াতটিৰ ব্যাখ্যাত 'তফ্‌ছীৰে খাজিন'ত লিখা আছে-"ক্বিয়ামতৰ দিনাখন দয়াৱনবী (স্বাঃ)ক আহ্বান কৰা হ'ব। ইয়াৰ পিছত আল্লাহ তাআ'লাই তেওঁ(স্বাঃ)ক উম্মতৰ অৱস্থা সম্পৰ্কে প্ৰশ্ন কৰিব। তেতিয়া তেওঁ (স্বাঃ) সিহঁতৰ পবিত্ৰতা ও সত্যতাৰ সাক্ষী দিব।"

'তফ্‌ছীৰে আজিজী'ত আছে-"হুজুৰ পাক (স্বাঃ)এ স্বীয় নবুৱতৰ আলোকত প্ৰতিজন ধৰ্মপৰায়ণ ব্যক্তিৰ ধৰ্মৰ অৱস্থা সম্পৰ্কে অৱগত আছে। কোনজন ব্যক্তি ধৰ্মৰ কেনে স্তৰত উপনীত হৈছে, তেওঁৰ ঈমানৰ হকিকত কি, তেওঁৰ পৰলৌকিক উন্নতিৰ পথত অন্তৰায় কি? এই সকলোবোৰ কথাই তেওঁ(স্বাঃ) জ্ঞাত।" সেয়েহে হুজুৰ পাক (স্বাঃ)এ উম্মতৰ পাপৰাশি, ঈমানৰ স্তৰ সমূহ, ভাল-বেয়া কাৰ্য্যাৱলী সম্পৰ্কে জ্ঞাত। উক্ত আয়াতটিৰ ব্যাখ্যাৰ পৰা জনা গ'ল যে- হুজুৰ পাক (স্বাঃ)এ ক্বিয়ামতলৈকে আগমণকাৰী মু'মিন মুছলমানৰ ঈমান, আ'মল, নামাজ ও নিয়ত সম্পৰ্কে অৱগত। নহ'লে উম্মতৰ বাবে সাক্ষী দিয়া কেনেকৈ সম্ভৱ হ'ব?

(২) পবিত্ৰ কুৰ্‌আনৰ ছুৰা 'জীন'ৰ ২৬ আৰু ২৭ নং আয়াতত আছে-"আল্লাহ পাকে তেওঁৰ মনোনীত ৰছুল সকলৰ বাহিৰে অন্য কাৰোবাক অদৃশ্য বিষয় সম্পৰ্কে অৱগত নকৰে।"

(৩) ছুৰা 'আন্‌আম'ৰ ৩৮ নং আয়াতত আছে-"মই এই কিতাপ (কুৰ্‌আন)ত একোৱেই অৰ্ন্তভুক্ত কৰিবলৈ বাদ দিয়া নাই।" 'তফ্‌ছীৰে খাজিন'ত এই আয়াতৰ ব্যাখ্যাত লিখা আছে-"কুৰ্‌আন মযীদত সমস্ত অৱস্থাৰে বিৱৰণ আছে।" 'তফ্‌ছীৰে আন্‌ৱাৰুত তান্‌জীল'ত আছে-"কিতাপ শব্দৰ দ্বাৰা লওহে মাহফুজকে নিৰ্দেশ কৰা হৈছে। কিয়নো এই লওহে মাহফুজত জগতৰ সমস্ত বিষয়েই উল্লেখিত, প্ৰত্যেক প্ৰকাশ্য সূক্ষ্ম বিষয় বা বস্তু আনকি কোনো জীৱ-জড় কথাও বাদ দিয়া নাই।"

হজৰত ইমাম শ্বাৰাণী (ৰহঃ)এ 'তব্‌কাতে কুব্‌ৰা'ত লিখিছে-"যদি আল্লাহ তাআ'লাই তোমালোকৰ হৃদয়ৰ তালাবদ্ধ প্ৰকোষ্ঠৰ তালা খুলি দিয়ে তেন্তে তোমালোকে কুৰ্‌আনৰ জ্ঞানভাণ্ডাৰৰ সন্ধান পাবা আৰু কুৰ্‌আনৰ বাহিৰে আন একোৰে মুখাপেক্ষী হ'ব নালাগে। আল্লাহ পাকে কৈছে-"এনে বিষয় নাই, যি মই কুৰ্‌আনত বৰ্ণনা কৰা নাই।" উক্ত আয়াতটিৰ দ্বাৰা বুজা গ'ল যে 'কিতাপ'ৰ ভিতৰত দুনীয়া ও আখিৰাতৰ সমস্ত অৱস্থাৰ কথাই বিদ্যমান আছে। ইয়াত 'কিতাপ' বুলি কওতে কুৰ্‌আন বা লওহে মাহফুজকে বুজোৱা হৈছে। কুৰ্‌আন পাক হওঁক বা লওহে মাহফুজেই হওঁক উভয়ৰে জ্ঞান হুজুৰ পাক (স্বাঃ)ৰ আছে। গতিকে দুনীয়া ও আখিৰাতৰ যাৱতীয় বিষয় হুজুৰ পাক (স্বাঃ)ৰ জনা আছে।

(৪) ছুৰা 'ইউনুছ'ৰ ৩৭ নং আয়াতত আছে-"আৰু লওহে মাহফুজত যি লিপিবদ্ধ আছে, কুৰ্‌আনত তাৰ বিস্তৃত বিৱৰণ আছে। ইয়াত কোনো সন্দেহ নাই।" 'তফ্‌ছীৰে ৰুহুল বয়ান'ত এই আয়াতটিৰ ব্যাখ্যাত লিখা আছে-"এই কুৰ্‌আন হৈছে শ্বৰীঅ'ত ও হকিকতৰ

pdf By Syed Mostafa Sakib



প্ৰমাণিত বিষয় সমূহৰ বিশ্লেষণ।"

'তফ্‌ছীৰে জালালাইন'ত আছে-"ই হ'ল বিস্তৃত বিৱৰণ সম্বলিত গ্ৰন্থ। ইয়াত আল্লাহ তাআ'লাৰ লিখিত বিধানাৱলীৰ সকলো বিষয়ৰে বিস্তৃত বিৱৰণ আছে।" "লওহে মাহফুজত সকলো বিষয়েই বিস্তৃতভাৱে বৰ্ণিত আছে।" (জুমুল) এই আয়াতটিৰ পৰা বুজা যায় যে কুৰ্‌আনত লওহে মাহফুজৰ সমস্ত জ্ঞানসহ সকলো জ্ঞানেই সন্নিবিষ্ট আছে। সেয়েহে লওহে মাহফুজত লিপিবদ্ধ সকলো বিষয়ৰে জ্ঞান হুজুৰ পাক (স্বাঃ)ৰ আছে। কাৰণ কুৰ্‌আন পাক হৈছে লওহে মাহফুজৰে বিস্তাৰিত বিৱৰণ সম্বলিত গ্ৰন্থ আৰু সমস্ত কুৰ্‌আনৰ জ্ঞান প্ৰিয়নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ আছে।

(৫) ছুৰা 'তাকবীৰ'ৰ ২৩ নং আয়াতত আছে-"এই নবী (স্বাঃ) গায়ব প্ৰকাশৰ ক্ষেত্ৰত কৃপণ নহয়।" এনেধৰণৰ উক্তি তেতিয়াই সম্ভৱপৰ হয় যেতিয়া হুজুৰ পাক (স্বাঃ)এ ইল্‌মে গায়বৰ অধিকাৰী হৈ জনগণৰ ওচৰত তাক ব্যক্ত কৰে।

(৬) ছুৰা 'বাকাৰা'ৰ ২৫৫নং আয়াতত আছে-"সিহঁতে তেওঁৰ (আল্লাহৰ) জ্ঞান ভাণ্ডাৰৰ পৰা একোৱে নাপায়, কিন্তু তেওঁ যিমান ইচ্ছা কৰে সিমান পায়।" 'তফ্‌ছীৰে খাজিন'ত এই আয়াত সম্পৰ্কত আছে-"আল্লাহ পাকে যি সকলক তেওঁৰ জ্ঞান সম্পৰ্কে অৱগত কৰে তেওঁলোক হ'ল নবী ও ৰছুল। যাতে তেওঁলোকৰ অদৃশ্য জ্ঞান নবুৱতৰ দলিল ৰূপে পৰিগণিত হয়। যিদৰে আল্লাহ তাআ'লাই ঘোষণা কৰিছে যে তেওঁৰ বিশেষ অদৃশ্য গায়ব কাৰো ওচৰত প্ৰকাশ নকৰে একমাত্ৰ তেওঁৰ সেই ৰছুলৰ ওচৰত তাক প্ৰকাশ কৰে যাৰ ওপৰত তেওঁ সন্তুষ্ট।" 'তফ্‌ছীৰে মা'লিমুত-তানজীল'ত উক্ত আয়াতৰ ব্যাখ্যাত লিখিছে-"এই সকল লোকে অদৃশ্য জ্ঞানক বেষ্টন বা আয়ত্ব কৰিব নোৱাৰে। কেৱল সিমানখিনিয়ে সিহঁতে লাভ কৰে, যিমানখিনি আল্লাহৰ কাম্য।"

(৭) ছুৰা 'নিছা'ৰ ৪১ নং আয়াতত আছে-" হে মাসুবুৱ মই আপোনাক ইহঁত সকলোৰে সাক্ষী আৰু পৰ্য্যাবেক্ষক হিচাপে উপস্থিত কৰিম।" তফ্‌ছীৰে নিছাপুৰীত এই আয়াত প্ৰসঙ্গত আছে-"এইটো এই কাৰণে যে হুজুৰ পাক (স্বাঃ)ৰ ৰূহ মুবাৰক সকলো ৰূহ, দিল ও সত্তা সমূহ অবলোকন কৰে। কিয়নো তেওঁ (স্বাঃ)এ কৈছে-"আল্লাহ তাআ'লাই সৰ্বপ্ৰথম যি সৃষ্টি কৰিছে সেয়া হ'ল মোৰ নূৰ।" (মুচান্নফ আব্দুৰ ৰাজ্জাক, মাদাৰিজুন্নুবুৱাত, ২য় খণ্ড, বাব-১) এই হাদীচটো ৰচিদ আহমদ গংগুহীয়ে 'ফত্‌ৱা ৰচিদীয়া'ৰ ১৭৮ পৃঃত উল্লেখ কৰিছে। তফ্‌ছীৰে মাদাৰিকত আছে-"হুজুৰ পাক (স্বাঃ) মু'মিন সকলৰ বাবে সিহঁতৰ ঈমান কাফিৰ সকলৰ বাবে সিহঁতৰ কুফ্‌ৰি আৰু মুনাফিক সকলৰ বাবে সিহঁতৰ মুনাফিকীৰ সাক্ষী।" ইয়াৰ পৰা বুজা গ'ল যে হুজুৰ পাক (স্বাঃ)সৃষ্টিৰ আদিকালৰ পৰা ক্বিয়ামতলৈকে সকলো লোকৰে কুফৰ, ঈমান, কপটতা, আ'মল ইত্যাদি সকলো বিষয়েই জ্ঞাত। সেইবাবেই তেওঁ (স্বাঃ) সকলোৰে সাক্ষী।

(৮) ছুৰা 'আল্ ইমৰাণ'ৰ ১৭৯নং আয়াতত আছে- "হে লোক সকল, এইটো আল্লাহৰ শ্বান নহয় যে, তোমালোকক ইল্‌মে গায়ব দান কৰিব। অৱশ্যে ৰছুল সকলৰ মাজত যাক তেওঁ ইচ্ছা কৰে, তাকে এই অদৃশ্য জ্ঞানৰ বাবে মনোনীত কৰে।" উক্ত আয়াতটিৰ ব্যাখ্যাত 'তফ্‌ছীৰে বায়জাবী'ত উল্লেখ আছে-"আল্লাহ পাকে তোমালোকৰ কাকোৱে এনে ইল্‌মে গায়ব প্ৰদান নকৰে, যাতে তোমালোকে ঈমান ও কুফৰ, যি মনে মনে পোষণ কৰা হয়, সেই সম্পৰ্কে অৱগত হ'ব পাৰা। কিন্তু আল্লাহ পাকে তেওঁৰ ৰছুল সকলৰ মাজত যি সকলক ইচ্ছা কৰে, তেওঁলোকক আংশিক ইল্‌মে গায়ব দান কৰে অথবা সিহঁতৰ বাবে এনে কিছুমান প্ৰমাণাদি উপস্থাপন কৰে যি গায়বৰ পথ নিৰ্দেশ কৰে।"

'তফ্‌ছীৰে খাজিন'ত আছে-"কিন্তু আল্লাহ তাআ'লাই ৰছুল সকলৰ মাজত যিসকলক ইচ্ছা কৰে আংশিক ইল্‌মে গায়ব সম্পৰ্কে তেওঁলোককেই দান কৰে।" 'তফ্‌ছীৰে জালালাইন'ত আছে-"এই আয়াতৰ অৰ্থ হ'ল আল্লাহ পাকে তেওঁৰ ৰছুল সকলৰ মাজত যাক ইচ্ছা কৰে, মনোনীত কৰে ইয়াৰ পিছত তেওঁক গায়ব সম্পৰ্কে জ্ঞান দান কৰে।" 'তফ্‌ছীৰে কবিৰ'ত আছে-"খোদা প্ৰদত্ত অদৃশ্য জ্ঞানৰ ফলশ্ৰুতিস্বৰূপ সেই সকলো অদৃশ্য বিষয়াদি জ্ঞাত হোৱা নবী (আঃ) সকলৰ বৈশিষ্ট্য।" (জুমুল) ওপৰোক্ত আয়াত সমূহৰ তফ্‌ছীৰ ও ব্যাখ্যাৰ পৰা প্ৰমাণিত হ'ল যে প্ৰিয়নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ইল্‌মে গায়ব (অদৃশ্য জ্ঞান) আছিল। এই আক্বীদা নাদৰীএ কোৱাৰ দৰে বেৰেলীপন্থীয়ে উলিওৱা আক্বীদাহ নহয়।

এতিয়া ইল্‌মে গায়ব (অদৃশ্য জ্ঞান) সম্পৰ্কীয় হাদীচ শ্বৰীফ সমূহৰ বৰ্ণনা কৰা হৈছে—

১। মিশ্বকাত শ্বৰীফৰ 'ফাজ্জাঈলে ছায়্যিদুল মুৰ্‌ছালিন' শীৰ্ষক অধ্যায়ত মুছলিম শ্বৰীফৰ বৰাত দি হজৰত ছওবান (ৰাঃ)ৰ পৰা বৰ্ণিত আছে- হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মাইছে- "আল্লাহ তাআ'লাই মোৰ সম্মুখত সমগ্ৰ পৃথিৱীকে এনেদৰে সংকুচিত কৰি দিছে যে, মই পৃথিৱীৰ পূব প্ৰান্ত ও পশ্চিম প্ৰান্তৰ সকলো বস্তু নিজ চকুৰে অৱলোকন কৰিছো।" মিশ্বকাতৰ শ্বৰাহ 'মিৰকাত'ত এই হাদীচটিৰ ব্যাখ্যা প্ৰসঙ্গত মোল্লা আ'লী ক্বাৰী (ৰহঃ)এ লিখিছে- "উক্ত হাদীচৰ সাৰমৰ্ম হ'ল- হুজুৰ পাক (স্বাঃ)ৰ বাবে পৃথিৱীখনক সংকুচিত কৰা হয় আৰু এনেকৈ একত্ৰিত কৰি দিয়া হয় যেন কোনোবাই হাতত আয়না লৈ সম্পূৰ্ণ আয়নাখন অৱলোকন কৰি আছে। মাটিক এনেকৈ একত্ৰিত কৰি দিয়া হয় যেন দূৰৱৰ্তী অংশ নিকটৱৰ্তী অংশৰ একেবাৰে ওচৰতে দৃষ্টিগোচৰ হয়। ফলত পৃথিৱীত যি আছে সকলো বস্তুৰে তেওঁ (স্বাঃ) দৰ্শন কৰিছিল।"

২। মিশ্বকাত শ্বৰীফৰ 'মুঅ'জিজা' অধ্যায়ত মুছলিম শ্বৰীফৰ উদ্ধৃতি দি হজৰত আমৰ ইব্‌নে আখতাৰ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে-"হুজুৰ পাক (স্বাঃ)এ আমাক সকলো ঘটনাৱলীৰ খবৰ দিছে, যিবোৰ ক্বিয়ামত পৰ্য্যন্ত সংঘটিত হ'ব। আমাৰ মাজত আটাইতকৈ ডাঙৰ আ'লীম হ'ল তেওঁ যি এই বিষয়বোৰ মনত ৰাখিব পাৰিছে।"

৩। মিশ্বকাত শ্বৰীফৰ 'ফিতান' অধ্যায়ত বুখাৰী ও মুছলিম শ্বৰীফৰ উদ্ধৃতিৰে হজৰত হুজাইফা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে-"হুজুৰ পাক (স্বাঃ)এ সেই ক্ষেত্ৰত ক্বিয়ামত পৰ্য্যন্ত যি সংঘটিত হ'ব সকলো বস্তুৰে সংবাদ দিছে, একোৱে বাদ দিয়া নাই। যিসকলৰ বাবে সম্ভৱপৰ, সিহঁতে সকলো মনত ৰাখিছে আৰু বহুতেই পাহৰিও গৈছে।"

pdf By Syed Mostafa Sakib



৪। মিশ্বকাত শ্বৰীফৰ 'মাছাজিদ' অধ্যায়ত হজৰত আব্দুৰ ৰহমান ইব্নে আয়েছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে হুজুৰ পাক (স্বাঃ)এ কৈছে-"মই আল্লাহ তাআ'লাক সুন্দৰতম আকৃতিত দেখিছো। তেওঁ স্বীয় কুদৰতৰ হাতখন মোৰ বুকুৰ ওপৰত স্থাপন কৰিলে, যাৰ শীতলতা মই নিজ অন্তঃস্থলত অনুভৱ কৰিলোঁ, ফলত নভোমণ্ডল ও ভূমণ্ডলৰ সকলো বস্তু সম্পৰ্কে অৱগত হ'লো। এই পবিত্ৰ হাদীচটিৰ ব্যাখ্যা প্ৰসঙ্গত মিশ্বকাতৰ শ্বৰাহ 'মিৰক্বাত'ত লিখা আছে-"এই ফয়েজ প্ৰাপ্তিৰ বাবে তেখেত(স্বাঃ)এ নভোমণ্ডল-ভূমণ্ডলৰ মাজত যি আছে সকলোবোৰেই জ্ঞাত হৈছে। অৰ্থাৎ আকাশ-জমিন, গছ-লতা ও অন্যান্য যি আছে সকলোৰে মহান আল্লাই জ্ঞাত কৰিছে, সকলোৰে জানি লৈছে।" হজৰত ইব্নে হাজাৰ (ৰহঃ)ই কৈছে-"তেওঁ (স্বাঃ) জ্ঞাত হৈছে সমগ্ৰ সৃষ্টি যি আকাশ সমূহত আনকি আকাশৰ ওপৰতো আছে।"

৫। বুখাৰী শ্বৰীফৰ 'বাদউল খাল্কি' শীৰ্ষক আলোচনাত আৰু মিশ্বকাত শ্বৰীফৰ ২য় খণ্ডৰ 'বাদউল খাল্কি ৱা জিক্ৰুল আম্বিয়ায়ে' অধ্যায়ত হজৰত উমৰ ফাৰুক্ব (ৰাঃ)ৰ পৰা বৰ্ণিত আছে-"হুজুৰ পাক (স্বাঃ)এ এঠাইত আমাৰ লগত অৱস্থান কৰিছিল। তাত তেখেত (স্বাঃ) আমাক আদি সৃষ্টিৰ সংবাদ দিছিল, আনকি বেহেস্ত ও দোজোখবাসী সকলে নিজ নিজ স্থানলৈ উপস্থিত হোৱালৈকে পৰিব্যক্ত সকলো অৱস্থা ও ঘটনাৱলীৰ বৰ্ণনা প্ৰদান কৰিছে। যিয়ে সেইবোৰ মনত ৰাখিব পাৰিছে, তেওঁতো ৰাখিছে আৰু যি সক্ষম হোৱা নাই সি পাহৰি গৈছে।" বুখাৰী শ্বৰীফৰ শ্বৰাহ 'আইনী', 'ফত্হুলবাৰী', 'ইৰ্ছাদুছ্ ছাৰী' আৰু মিশ্বকাতৰ শ্বৰাহ 'মিৰক্বাত'ত উক্ত হাদীচ সম্পৰ্কে লিখা হৈছে-"এই হাদীচৰ পৰা বুজা গ'ল যে একে অৱস্থানত হুজুৰ পাক (স্বাঃ)এ সৃষ্টিকুলৰ আদ্যোপান্ত সকলো অৱস্থাৰ বৰ্ণনা দিছিল।"

(৬) মিশ্বকাত শ্বৰীফৰ 'ফিতান' অধ্যায়ৰ ২য় পৰিচ্ছেদত হজৰত হুজাইফা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে-"হুজুৰ পাক (স্বাঃ)এ পৃথিৱীৰ সময়সীমা উকলি যোৱালৈকে অনুষ্ঠিতব্য কোনো ফিত্না পৰিচালনাকাৰীৰ কথা বাদ দিয়া নাই, যিসকলৰ সংখ্যা তিনিশ বা তাতোধিক হ'ব। আনকি সিহঁতৰ নাম, পিতৃৰ নাম ও গোত্ৰৰ নামসহ আমাক বৰ্ণনা কৰিছে।"

৭। মিশ্বকাত শ্বৰীফৰ 'মাছাজিদ' অধ্যায়ত হজৰত আবুজৰ গিফাৰী (ৰাঃ)ৰ পৰা বৰ্ণিত আছে-হুজুৰ পাক (স্বাঃ)এ কৈছে- "মোৰ সম্মুখত মোৰ উম্মতৰ ভাল বেয়া আ'মলসমূহ উপস্থিত কৰা হৈছে। মই সিহঁতৰ নেক আ'মল সমূহৰ মাজত বাটৰ পৰা কষ্টদায়ক বস্তু সমূহ অপসাৰণ কৰাৰ দৰে পূণ্যময় কাৰ্য্যও লক্ষ্য কৰিছো।"

৮। 'মছ্নদে ইমাম আসমদ বিন হাম্বল'ত হজৰত আবুজৰ গিফাৰী (ৰাঃ)ৰ পৰা বৰ্ণিত আছে-"হুজুৰ পাক (স্বাঃ)এ আমাক এনেদৰে অৱহিত কৰিছে যে, এটি চৰাইৰ ডেউকা লৰচৰ কৰাৰ কথা পৰ্য্যন্তও তেখেত (স্বাঃ)ৰ বৰ্ণনাৰ পৰা বাদ পৰা নাই।" হজৰত ইমাম চাহাবুদ্দিন আসমদ কাস্তালানী (ৰহঃ)এ 'মাওৱাহিবে লাদুন্নিয়া'ত লিখিছে-'ইয়াত কোনো সন্দেহ নাই যে আল্লাহ তাআ'লাই হুজুৰ পাক (স্বাঃ)ক ইয়াতকৈ আৰু অধিক বিষয় অৱগত কৰিছে আৰু তেওঁ (স্বাঃ)ক পূৰ্বৱৰ্তী ও পৰৱৰ্তী সকলোবে জ্ঞান দান কৰিছে।"





৯। হজৰত আ'ল্লামা জুৰক্বানী (ৰহঃ)এ 'শ্বৰহে মাওৱাহিবে লাদুন্নিয়া' গ্ৰন্থত হজৰত আব্দুল্লাহ ইব্নে উমৰ (ৰাঃ)ৰ পৰা বৰ্ণনা কৰিছে-"আল্লাহ তাআ'লাই মোৰ সম্মুখত সমগ্ৰ বিশ্বকে তুলি ধৰিছে। তেতিয়া মই এই বিশ্বক আৰু ইয়াত ক্বিয়ামতলৈকে যি সংঘটিত হ'ব সকলো বস্তু এনেদৰে দেখিছো, যিদৰে মই মোৰ নিজৰ হাতৰ তলুৱা দেখা পাওঁ।" মিশ্বকাতৰ শ্বৰাহ 'আশ্বআ'তুল লামাআ'ত'ত হজৰত শ্বাইখ আব্দুল হক মুহাদ্দিচ দেহ্লৱী (ৰহঃ)এ উক্ত হাদীচৰ ব্যাখ্যাত লিখিছে-"প্ৰিয়নবী (স্বাঃ)ৰ ওচৰত সকলো ধৰণৰ জ্ঞান প্ৰতিভাত হৈছে আৰু আৰু তেওঁ (স্বাঃ) সকলো বিষয়েই জ্ঞাত হৈছে।"

১০। মিশ্বকাত শ্বৰীফৰ 'মুঅ'জিজা' অধ্যায়ত হজৰত আনাছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে-"হজৰত জায়েদ, জাফৰ ও ইব্নে ৰাওৱাহা (ৰাঃ) আদি চাহাবা সকলৰ শ্বাহাদত বৰণৰ খবৰ যুদ্ধক্ষেত্ৰৰ পৰা অহাৰ আগতে হুজুৰ পাক (স্বাঃ)এ মদীনাৰ জণসাধাৰণক জনাই দিয়ে। হুজুৰ পাক (স্বাঃ)এ কৈছিল-"পতাকা এতিয়া জায়েদৰ হাতত তেওঁ শ্বহীদ হ'ল, শেষলৈকে খালিদ বিন ৱালিদে ঝাণ্ডা হাতত লৈছে আৰু অৱশেষত আল্লাহ তাআ'লাই জয়যুক্ত কৰিলে।"

১১। মিশ্বকাত শ্বৰীফৰ 'মুঅ'জিজা' অধ্যায়ত হজৰত আবু হুৰাইৰাহ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে-"এজন চিকাৰীয়ে কৈছিল যে, নেকড়া বাঘক আজি যিদৰে কথা কোৱা দেখিলো, সেইদৰে ইয়াৰ আগত আৰু কেতিয়াও দেখা নাই। যেতিয়া নেকড়া বাঘে কৈ উঠিল- "সেই দুই উন্মুক্ত প্ৰান্তৰৰ মধ্যৱৰ্তী মৰুদ্যানত (মদীনাত) এজন সন্মানীয় ব্যক্তি (হজৰত মুসাম্মদ (স্বাঃ) আছে যি তোমালোকৰ বিগত ও অনাগত ভৱিষ্যতৰ বিষয় সম্পৰ্কে সংবাদ পৰিবেশন কৰে।" এই হাদীচৰ ব্যাখ্যাত মোল্লা আ'লী ক্বাৰী (ৰহঃ)ই 'মিৰক্বাত'ত লিখিছে-"হুজুৰ পাক (স্বাঃ)এ তোমালোকক পূৰ্বৱৰ্তী লোকসকলৰ অতীত ঘটনাৱলীৰ সংবাদ দিছে, তোমালোকৰ পৰৱৰ্তী লোকসকলৰো খবৰ দিছে অৰ্থাৎ ইহকালীন ও পৰকালীন সকলো বিষয়ৰে সংবাদ পৰিবেশন কৰিছে।"

১২। মিশ্বকাত শ্বৰীফৰ 'মানাকিবু আহ্লিল বাইত' অধ্যায়ত বৰ্ণিত আছে-"হুজুৰ পাক (স্বাঃ)এ হজৰত উম্মুল ফজল (ৰাঃ)ৰ ওচৰত ভৱিষ্যতবাণী কৰিছিল যে, হজৰত ফাতিমা (ৰাঃ)ৰ ঘৰত এটা পুত্ৰ সন্তান জন্ম গ্ৰহণ কৰিব, সি তোমাৰ কোলাত লালিত-পালিত হ'ব।"

১৩। মিশ্বকাত শ্বৰীফৰ 'মানাকিবু আবি বাক্ৰি ৱাল উমৰ' অধ্যায়ত বৰ্ণিত আছে- "হজৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ই হুজুৰ পাক (স্বাঃ)ৰ পৰা জানিব বিচাৰিলে এনে কোনো ব্যক্তি আছেনে যাৰ পূণ্য সমূহ তাৰকাৰাজিৰ সমসংখ্যক হ'ব? হুজুৰ পাক (স্বাঃ)এ উত্তৰত ইৰ্শ্বাদ ফৰ্মালে-"হয় আৰু তেওঁ হ'ল উমৰ ফাৰুক্ব।"

১৪। বুখাৰী শ্বৰীফৰ 'ইছ্বাতু আজাবুল কবৰ' শীৰ্ষক অধ্যায়ত হজৰত ইব্নে আব্বাছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে- হুজুৰ পাক (স্বাঃ) এদিনাখন দুটা কবৰৰ কাষেৰে গৈ আছিল। তেতিয়া কবৰ দ্বয়ত আজাব চলি আছিল। তেওঁ (স্বাঃ) ক'লে- "এই দুজনৰ আজাব কোনো বিশেষ অপৰাধৰ বাবে নহয়। সিহঁতৰ এজনে প্ৰস্বাৱৰ সময়ত সতৰ্কতা অবলম্বণ কৰা নাছিল

pdf By Syed Mostafa Sakib



আৰু আনজনে চুগলখুৰী কৰি পৰস্পৰৰ মাজত বিবাদৰ সৃষ্টি কৰিছিল।” তেতিয়া তেওঁ (স্বাঃ)এ খেজুৰৰ এটা কেঁচা ঠানি লৈ দুভাগ কৰিলে আৰু অংশ দুটা দুয়োটা কবৰৰ ওপৰত পুতি দিলে। প্ৰশ্ন কৰাত তেওঁ (স্বাঃ) ক'লে- “এই খেজুৰৰ ঠানি দুডাল যিমান সময় জীৱিত থাকিব তেতিয়ালৈকে কবৰৰ আজাব কম হ'ব, কিয়নো প্ৰতিটো বৃক্ষপত্ৰ আল্লাহৰ জিক্‌ৰ কৰে।” উপৰোক্ত হাদীচ সমূহৰ পৰা বুজা গ'ল যে প্ৰিয়নবী হুজুৰ বস্‌মতে আ'লম (স্বাঃ)ৰ ওচৰত ক্বিয়ামতলৈকে সকলো লোকৰে দৃশ্যমান ও গোপনীয় সকলো কাম-কাজ সম্পৰ্কে সম্পূৰ্ণৰূপে অৱগত। ইয়াৰ উপৰিও এই সম্পৰ্কত আৰু অনেক হাদীচ শ্বৰীফ আছে। কলেৱৰ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি কেইটামানহে ইয়াত প্ৰকাশ কৰা হ'ল।

**ইল্‌মে গায়ব সম্পৰ্কে ফুক্বাহা কিৰাম সকলৰ অভিমতঃ**

১। 'দুৰ্‌ৰোল মুখ্‌তাৰ' গ্ৰন্থৰ 'কিতাবুল হজ্ব'ৰ আৰম্ভণিতে আছে-“হজ্ব নৱম হিজ্‌ৰীত ফৰজ হয়, কিন্তু হুজুৰ পাক (স্বাঃ)এ কোনো এক বিশেষ কাৰণত ইয়াক দশম হিজ্‌ৰীলৈকে বিলম্বিত কৰে। হুজুৰ পাক (স্বাঃ)এ তেওঁ (স্বাঃ)ৰ পবিত্ৰ ইহকালীন জীৱন সম্পৰ্কে জ্ঞাত আছিল বাবে হজ্ব স্থগিত কৰিছিল, যাতে ইছলাম প্ৰচাৰৰ পূৰ্ণতা লাভ কৰে।”

২। হজৰত শ্বাহ আব্দুল হক মুহাদ্দিচ দেহলৱী (ৰহঃ)এ 'মাদাৰিজুনন্নুবুৱাত' গ্ৰন্থৰ ১ম খণ্ডৰ ৫ম অধ্যায়ত হুজুৰ পাক (স্বাঃ)ৰ ফজীলত সম্পৰ্কত ১৪৪ পৃঃত লিখিছে-“হজৰত আদম (আঃ)ৰ পৰা শিঙাত ফুক দিয়ালৈকে সকলো বিষয়েই হুজুৰ পাক (স্বাঃ)ৰ ওচৰত প্ৰতিভাত কৰা হৈছে, যাতে প্ৰথমৰ পৰা শেষলৈকে সকলো বস্তুৰে অৱস্থাদি সম্পৰ্কে তেওঁ (স্বাঃ) জ্ঞাত হয়। তেওঁ এনেধৰণৰ সংবাদ চাহাবা সকলক দিছে। হুজুৰ পাক (স্বাঃ)এ সকলো বিষয়ৰে জ্ঞান ৰাখে। আনকি আল্লাহ পাকৰ সত্তাগত বিষয়াদি, গুণাৱলী, বিধি-বিধান, বিভিন্ন নাম, সকলো কাৰ্য্যৱলী, বিবিধ নিদৰ্শন, সমস্ত দৃশ্য ও অদৃশ্য বিষয়াদি, আদি অন্তঃ প্ৰবৃত্তিৰ সকলো জ্ঞান তেওঁ (স্বাঃ)ৰে কৰায়ত্ব।”

৩। হজৰত আ'ল্লামা ইমাম ইব্‌নে হজৰ মক্কী (ৰহঃ)এ 'আফ্‌জালুল কুৰ্‌আন' গ্ৰন্থত লিখিছে- “মহান আল্লাহ ৰাব্বুল আ'লামিনে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক সমস্ত জগত সম্পৰ্কে অৱগত কৰিছে। আনকি তেওঁ (স্বাঃ) পূৰ্বৱতী ও পৰৱৰ্তী জ্ঞানী সকলক আৰু যি হৈছে আৰু যি হ'ব এই আটাইবোৰেই জানি লৈছে।”

৪। হজৰত আ'ল্লামা ক্বাজী আয়াজ (ৰহঃ)এ 'শ্বিফা শ্বৰীফ'ত কৈছে-“আল্লাহ তাআ'লাই হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক স্বতন্ত্ৰ বৈশিষ্ট্যৰ অধিকাৰী কৰি দ্বীন দুনীয়াৰ সমস্ত মঙ্গলময় বিষয়াদিৰ জ্ঞান দান কৰিছে। নিজ উম্মতৰ মঙ্গলজনক বিষয়, আগৰ উম্মত সকলৰ ঘটনাৱলী আৰু নিজ উম্মতৰ নগন্যৰ পৰা নগন্যতম ঘটনা সম্পৰ্কেও তেওঁ (স্বাঃ)ক অৱহিত কৰিছে। মা'ৰিফাতৰ সকলো বিষয় তথা অন্তৰৰ অৱস্থা সমূহ, ফৰজ কাৰ্য্যাৱলী, ইবাদত সমূহ আৰু হিচাপ-নিকাচ ইত্যাদি বিষয়তো তেওঁ (স্বাঃ)ক অৱগত কৰিছে।”

৫। হজৰত আ'ল্লামা জুৰকানী (ৰহঃ)এ 'শ্বৰহে মাওৱাহিবে লাদুন্নিয়া' গ্ৰন্থত লিখিছে- “অগনিত বৰ্ণনাকাৰীৰ সমৰ্থনপুষ্ট হাদীচ সমূহৰ সৰ্বসন্মত ভাবাৰ্থত এই কথা কোৱা হৈছে যে গায়ব সম্পৰ্কে হুজুৰ পাক (স্বাঃ) অৱগত আৰু এই মছলাটো সেইবোৰ আয়াতৰ পৰিপন্থী নহয়, যিবোৰৰ দ্বাৰা বুজা যায় যে আল্লাহ অবিহনে আন কোনোৱে গায়ব নাজানে। কিয়নো উক্ত আয়াত সমূহত যি বিষয়টোৰ অস্বীকৃতি জ্ঞাপন কৰা হৈছে সেয়া হ'ল সত্তাগত জ্ঞান আৰু হুজুৰ পাক (স্বাঃ)ৰ খোদা প্ৰদত্ত ইল্‌মে গায়ব সম্পৰ্কে অৱগত হোৱা বিষয়টো আল্লাহৰ কালামৰ দ্বাৰা প্ৰমাণিত য'ত কোৱা হৈছে- “কেৱল তেওঁৰ পছন্দনীয় ৰছুলকহে অদৃশ্য বিষয়াদিৰ জ্ঞান প্ৰদান কৰা হয়।”





৬। হজৰত মোল্লা আ'লী ক্বাৰী হানাফী (ৰহঃ)এ তেওঁৰ গ্ৰন্থ 'হাল্লুল হুক্‌দাহ ছাৰ্‌হি কাছিদাহ বোৰ্দা'ত লিখিছে- “লওহে মাহফুজ ও কলমৰ জ্ঞানক হুজুৰ পাক (স্বাঃ)ৰ জ্ঞানৰ কিয়দাংশ এইবাবেই কোৱা হৈছে যে, হুজুৰ পাক (স্বাঃ)ৰ জ্ঞানক বিভিন্ন শাখাত ভাগ কৰা যায়। যেনে তেওঁৰ জ্ঞান বস্তু বা বিষয়ক একক, সামগ্ৰিক সত্বা, মৌলিক সত্তা ও খোদাৰ পৰিচিতি, আনকি খোদাৰ সত্তাৰ গুণাৱলী সম্পৰ্কিত পৰিচিতিকো পৰিবেষ্টন কৰি আছে। সেইবাবে লওহ আৰু কলমৰ জ্ঞান হুজুৰ পাক (স্বাঃ)ৰ জ্ঞান সমুদ্ৰৰ এটি খালৰ দৰে অথবা তেওঁ (স্বাঃ)ৰ জ্ঞানৰ এটি আখৰ সদৃশ মাত্ৰ।”

৭। হজৰত মুজাদ্দিদে আলফ্‌ছানী (ৰহঃ)এ তেওঁৰ 'মক্তুবাত' গ্ৰন্থৰ ১ম খণ্ডৰ ৩১০ পৃঃত কৈছে-“যি জ্ঞান আল্লাহৰ বাবে বিশেষৰূপে নিৰ্দ্ধাৰিত, সেই জ্ঞান কেৱল ৰছুল সকলকহে জ্ঞাত কৰা হয়।”

৮। হজৰত হাফিজ আহম ইব্‌নে মুবাৰক (ৰহঃ)এ 'হব্‌ৰীজ শ্বৰীফ'ৰ ২৭০ নং পৃঃত লিখিছে- “আমাৰ মতে হুজুৰ পাক (স্বাঃ)এ আৰশ্বৰ পৰা পাতালপুৰী লৈকে সমস্ত বিষয় সম্পৰ্কে অৱগত, ইয়াৰ ভিতৰত যি আছে, সেই সকলোৰে খবৰ ৰাখে।

৯। 'কাছিদায়ে বুৰ্দা'ৰ সুপ্ৰসিদ্ধ লিখক হজৰত ইমাম বুচিৰী (ৰহঃ)এ তেওঁৰ এক কাছিদাত লিখিছে-“হুজুৰ পাক (স্বাঃ)ৰ জ্ঞান-বিজ্ঞান সমগ্ৰ জগতক পৰিবেষ্টন কৰি আছে। তেওঁ (স্বাঃ) হৈছে এখন সাগৰ, যাক অন্যান্য পৰিবেষ্টনকাৰীয়েও পৰিবেষ্টিত কৰিব পৰা নাই।”

**হুজুৰ পাক (স্বাঃ)ৰ ইল্‌মে গায়ব সম্পৰ্কত দেওবন্দী মুৰব্বী সকলৰ অভিমতঃ**

১। দেওবন্দী সকলৰ পীৰ মুৰ্শীদ, গুৰু, হজৰত আলহাজ ইমদাদুল্লাহ মুহাজীৰে মক্কী (ৰহঃ)এ তেওঁৰ গ্ৰন্থ 'শ্বামায়েমে ইম্‌দাদিয়া'ৰ ১১০ পৃঃত কৈছে- “মানুহে কয় নবী ও ৱলী সকল অদৃশ্য জ্ঞানৰ অধিকাৰী নহয়। মই কওঁ সঠিক পথৰ পথিক সকলে যি ফালেই দৃষ্টি নিক্ষেপ কৰে, অদৃশ্য বিষয়াদি সম্পৰ্কে অবহিত হয়। (আনোৱাৰে গাইবিয়া, পৃঃ ২৫, জা-আল হাক্ব, ১ম খণ্ড, পৃঃ ১১৩)

২। দেওবন্দ মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক মৌঃ কাছিম নানথৱী চাহেবে তেওঁৰ গ্ৰন্থ 'তাহ্‌জীৰুণ নাছ'ৰ ৪ পৃঃত লিখিছে-“পূৰ্বৱতী সকলৰ জ্ঞান এক ধৰণৰ আৰু পৰৱৰ্তী সকলৰ

pdf By Syed Mostafa Sakib



জ্ঞান ভিন্ন ধৰণৰ। কিন্তু সেই সকলো জ্ঞান আল্লাহৰ ৰছুল (স্বাঃ)ৰ মাজত পঞ্জীভূত কৰা হৈছে। সেয়েহে ৰছুল (স্বাঃ) হ'ল প্ৰত্যক্ষ জ্ঞানী।"

৩। দেওবন্দী জগতৰ হাকীমূল উম্মত মৌঃ আশ্ৰফ আলী থানৱী চাহেবে কৈছে- "শ্বৰীঅ'তত বৰ্ণিত আছে যে, ৰছুল ও ৱলী সকল অদৃশ্য বিষয় ও ভৱিষ্যতৰ ঘটনাৱলীৰ খবৰ প্ৰদান কৰে। আল্লাহ তাআ'লাই যিহেতু গায়ব ও ভৱিষ্যতৰ বিষয়াদি জানে, সেয়েহে সকলোৱে তেওঁৰ জনা মতে, তেওঁৰ ইচ্ছানুসাৰে, তেওঁৰ উদ্যোগ গ্ৰহণৰ ফলত সংঘটিত হয়। গতিকে আল্লাহে যদি তেওঁৰ ৰছুল বা ৱলী সকলৰ মাজৰ পৰা যাক ইচ্ছা কৰে তেওঁক ইল্মে গায়ব বা ভৱিষ্যতৰ ঘটনাৱলীৰ খবৰ দিয়ে, তেন্তে প্ৰতিবন্ধকতা কিহৰ? যদিওবা আমি এই ধাৰণা পোষণ কৰো যে গায়বৰ বিষয় সমূহৰ কিবা এটা সত্বাগতভাবে জনা মানৱ প্ৰকৃতিৰ সম্ভৱ নহয়, কিন্তু আল্লাহ তাআ'লাই যদি কাৰোবাক অৱগত কৰে, তেন্তে প্ৰতিৰোধ কৰা কোন আছে? সেয়েহে সিহঁতে যি জানে, সেয়া আল্লাহ তাআ'লা কৰ্তৃক জনোৱাৰ ফলতহে আনক সংবাদ দিয়ে। তেওঁলোকৰ মাজত এনে কোনো নাই যি সত্বাগত ইল্মে গায়বৰ দাবী কৰে। মুসাম্মদী শ্বৰীঅ'তত বান্দাৰ বাবে সত্বাগত ইল্মে গায়বৰ দাবী কৰা সৰ্বোচ্চ পৰ্য্যায়ৰ নিষিদ্ধ বিষয়ৰ মাজত গণ্য হয় আনকি যিয়ে এনে দাবী কৰে, তাক 'কাফিৰ' বোলা হয়।" (আশ্ৰফ আলী থানৱীৰ 'তক্মীলুল ইয়াক্বীন' গ্ৰন্থৰ ১৩৫ নং পৃঃ দ্ৰঃ, হিন্দুস্থান প্ৰিন্টিং প্ৰেছত মুদ্ৰিত)

৪। দেওবন্দী সকলৰ কুতুবুল আ'লম মৌঃ ৰচিদ আহমদ গংগুহী চাহেবে 'লতায়েফে ৰচিদীয়া'ৰ ২৭ পৃঃত লিখিছে-"নবী সকল সকলো সময়তে অদৃশ্য বিষয়াদি দৰ্শন কৰে, আল্লাহৰ সান্নিধ্যত উপস্থিতিৰ প্ৰতি সজাগ ও সচেতন থাকে।" (আনোৱাৰে গাইবিয়া, পৃঃ ৩২, জা-আল হাক্ব, ১ম খণ্ড, পৃঃ ১১৩) উপৰোক্ত উদ্ধৃতি সমূহৰ পৰা প্ৰমাণিত হ'ল যে দেওবন্দৰ প্ৰবীণ উ'লামা সকলেও হুজুৰ পাক (স্বাঃ)ৰ পবিত্ৰ ইল্মে গায়বক বিনাদ্বিধাই স্বীকাৰ কৰিছিল। অতি পৰিতাপৰ কথা মৌলৱী কাছিম চাহেবক অনুসৰণ কৰি নিজৰ নামৰ পিছত 'কাছিমী' উপাধি লিখা বৰ্তমান সময়ৰ দেওবন্দী মৌলৱী সকলে হুজুৰ পাক (স্বাঃ)ৰ পবিত্ৰ ইল্মে গায়বক অস্বীকাৰ কৰি আহিছে। ইয়াৰ অন্ধ অনুকৰণ কৰি এ, নাদৱী চাহেবেও হুজুৰ পাক (স্বাঃ)ৰ পবিত্ৰ ইল্মে গায়ব একমাত্ৰ বেৰেলৱী ছুন্নী সকলৰ আক্বীদাহ বুলি তেওঁৰ 'জীৱন জ্যোতি'- ১৫ নং সংখ্যাত ঘোষণা কৰিছে। ই সমগ্ৰ ইছলামৰ বাবে দুভাৰ্গ্যজনক।

**ইল্মে গায়বৰ সপক্ষে কেইটামান যুক্তিঃ**

(১) আল্লাহ ৰাব্বুল আ'লামিনে দয়াৰ নবী ৰসূমতে আ'লম (স্বাঃ)ক 'নবী' বুলি সন্মানিত কৰিছে। কুৰ্আন কাৰীমত আছে- 'ইয়া আয়্যুহান নাবীউ'। 'নবী' শব্দৰ অৰ্থ হ'ল খবৰ দাতা। যদি খবৰ বুলিলে কেৱল দ্বীনৰ খবৰেই হয়, তেনেহ'লে প্ৰতিজন মৌলৱী বা আ'লীমক নবী বুলিব লাগিব (নাউজুবিল্লাহ) কাৰণ তেওঁলোকে দ্বীনৰ খবৰ দিয়ে। আনহাতে পাৰ্থিৱ ঘটনাৱলীৰ খবৰ বুলি ধৰি ল'লে প্ৰতিখন সংবাদ পত্ৰ, ৰেডিঅ', টি.ভি আদিও নবী হিচাপে পৰিগণিত হ'ব (নাউজুবিল্লাহ)। গতিকে মানিব লাগিব যে 'নবী' শব্দৰ মাজত অদৃশ্য





বিষয়াদিৰ খবৰাখবৰেই গুৰুত্বপূৰ্ণ। অৰ্থাৎ নবী সকল হ'ল আল্লাহ, ফৰিস্তা, আৰশ, বেহেস্ত-দোজোখ ইত্যাদি সম্বন্ধে খবৰ দাতা য'ত তাঁৰবাৰ্তা, সংবাদ পত্ৰ আদি কোনো কামত নাহে, তাত কেৱল মাত্ৰ নবীৰ জ্ঞানেই কাৰ্যকৰী ভূমিকা পালন কৰে। ইয়াৰ পৰা বুজা যায় যে 'ইল্মে গায়ব' নবী শব্দৰ অৰ্ন্তভূক্ত বা অঙ্গীভূত।

(২) হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম হ'ল সৎপথ প্ৰদৰ্শনকাৰী আৰু শ্বয়তান হ'ল পথভ্ৰষ্টকাৰী, শ্বয়তান হ'ল মহামাৰীৰ দৰে আৰু হুজুৰ পাক (স্বাঃ) হ'ল চিকিৎসক স্বৰূপ। আল্লাহ তাআ'লাই শ্বয়তানক প্ৰথভ্ৰষ্ট কৰাৰ সহায়ক হিচাপে ইমানে ব্যাপক ও সুদূৰ প্ৰসাৰী জ্ঞান দান কৰিছে যে পৃথিৱীৰ কোনেও তাৰ দৃষ্টিৰ অগোচৰ নহয়। তাৰ ওচৰত এই খবৰো আছে যে কাক ধোকা দিব পাৰিব, কাক নোৱাৰিব, যাক দিব পৰিব কি পদ্ধতি প্ৰয়োগ কৰিব ইত্যাদিও জনা আছে। অনুৰূপ ভাৱে সি শ্বৰীঅ'তৰ প্ৰতিটো মাছআলাহ জ্ঞাত, যাৰ বাবে নেক কামৰ পৰা মানুহক বিৰত ৰাখি বেয়া কামত লিপ্ত কৰাব পাৰে। পথভ্ৰষ্টকাৰী শ্বয়তানক যেতিয়া ইমান ব্যাপক জ্ঞানদান কৰা হৈছে, তেন্তে সৎপথ প্ৰদৰ্শনকাৰী, অন্তৰৰ ডাক্তৰ স্বৰূপ হুজুৰ পাক (স্বাঃ)ক ইয়াতকৈ অধিক জ্ঞান দিয়া হোৱা নাই জানো? হুজুৰ পাক (স্বাঃ)ক ইয়াতকৈ অসংখ্য গুণ বেছি জ্ঞান দান কৰা হৈছে যাতে প্ৰত্যেক ব্যক্তিৰ অন্তৰত ব্যাধি নিৰ্ণয় কৰি চিকিৎসা কৰিব পাৰে। নহ'লে আল্লাহ পাকৰ ওপৰত এই আপত্তি উত্থাপন হ'ব যে তেওঁৰ চিৰশত্ৰু তথা পথভ্ৰষ্টকাৰী শ্বয়তানক শক্তিশালী কৰিছে আৰু সৎ পথ প্ৰদৰ্শনকাৰী তেওঁৰ হবীব (বন্ধু) প্ৰিয়নবী হুজুৰ পাক (স্বাঃ)ক দুৰ্বল কৰিছে।

(৩) হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম হ'ল সমগ্ৰ সৃষ্টি জীৱৰে নবী। সেয়েহে তেওঁ (স্বাঃ) ফৰিস্তা সকলৰ নবী। উম্মতকৈ নবী (স্বাঃ)ৰ জ্ঞান আপেক্ষাকৃত অধিক হোৱা নিঃসন্দেহে প্ৰয়োজন। সেয়েহে এইটো অনস্বীকাৰ্য্য যে হুজুৰ (স্বাঃ)ৰ জ্ঞান ফৰিস্তাকুল তথা সমগ্ৰ সৃষ্টি জগতকৈ অধিক। ইয়াত সন্দেহৰ অৱকাশ নাই।

(৪) কেইবছৰমান উপযুক্ত শিক্ষক বা গুৰুৰ সান্নিধ্যত থাকিলে মানুহ জ্ঞানী হৈ যায়। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামএ জন্ম গ্ৰহনৰ আগতে কৌটি কৌটি বছৰ আল্লাহৰ মহান দৰবাৰত অৱস্থান কৰিছে। এনে ক্ষেত্ৰত হুজুৰ (স্বাঃ) পূৰ্ণ জ্ঞানী কিয় নহ'ব? 'তফ্ছীৰে ৰুহুল বয়ান'ৰ "লাকাদ জা- আকুম" আয়াতৰ ব্যাখ্যাত লিখা আছে-" হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক এদিনাখন জিব্ৰাইল (আঃ)এ আৰজ কৰিলে যে এটা নক্ষত্ৰ ৭০ হাজাৰ বছৰ পিছে পিছে উদিত হয়। মই ইয়াক ৭২ হাজাৰ বাৰ আলোক উদ্ভাষিত দেখিছো। তেতিয়া হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মালে-"মইয়ে আছিলো সেই নক্ষত্ৰ।"

(৫) ছাত্ৰ বা শিষ্যৰ জ্ঞানৰ মাজত কেইবাটাও কাৰণত অপৈণতা থাকিব পাৰে। প্ৰথমে ছাত্ৰ অনুপযুক্ত হোৱা, যাৰ বাবে শিক্ষকৰ পৰা সম্পূৰ্ণ শিক্ষা লাভ কৰিব পৰা নাই। দ্বিতীয়তে শিক্ষক উপযুক্ত নহয় বা ছাত্ৰক পৰিপূৰ্ণ জ্ঞান দিব পৰা নাই। তৃতীয়তে শিক্ষক হয়তো কৃপণ, পূৰ্ণজ্ঞান সেই ছাত্ৰক দান কৰিব পৰা নাই বা তাতকৈ অধিক প্ৰিয় আন কোনো

pdf By Syed Mostafa Sakib



ছাত্ৰ আছে, যাক সকলো জ্ঞান দান কৰিব বিচাৰিছে। চতুৰ্থতে যিখন কিতাপ পঢ়োৱা হৈছে সেইখন পূৰ্ণজ্ঞানেৰে ভৰপূৰ নহয় ইত্যাদি। কিন্তু ইয়াত শিক্ষক হ'ল স্বয়ং আল্লাহ পাক পৰৱাৰদিগাৰ আ'লম, ছাত্ৰ হৈছে আল্লাহৰ সাবীব (স্বাঃ) আৰু শিকোৱা হৈছে জ্ঞান সমুদ্ৰ স্বৰূপ পূৰ্ণ কিতাপ 'আল্ কুৰ্আন'। এতিয়া প্ৰশ্ন হ'ল আল্লাহ কামিল শিক্ষক আৰু নবী (স্বাঃ) উপযুক্ত শিষ্য ও কুৰ্আনখন পূৰ্ণ কিতাপ নহয় নেকি? নে নবী (স্বাঃ)তকৈও আল্লাহৰ ওচৰত আন কোনোবা অধিক প্ৰিয় আছে? যিহেতু ইয়াৰ কোনো কাৰণেই বিদ্যামান নহয়, অৰ্থাৎ আল্লাহ তাআলা পৰিপূৰ্ণ জ্ঞান প্ৰদানকাৰী, নবী (স্বাঃ) পূৰ্ণ জ্ঞান গ্ৰহনকাৰী কুৰ্আন হ'ল এক পূৰ্ণ কিতাপ য'ত কোৱা হৈছে- "আৰ ৰাস্মানু আল্লামাল কুৰ্আন" নবী হ'ল আল্লাহৰ দৰবাৰত আটাইতকৈ অধিক পছন্দনীয়, তেন্তে তেওঁ (স্বাঃ)ৰ জ্ঞান কিয় অপূৰ্ণ হ'ব? ইয়াত সন্দেহ কৰা কুফ্ৰী নহয়নে? নাদৱী বা কোনো দেওবন্দীএ ইয়াৰ উত্তৰ দিবনে?

৬। আল্লাহ পাকে প্ৰত্যেক কথা লওহে মাহফুজত লিপিবদ্ধ কৰিলে? লিখাৰ প্ৰয়োজন হয় মনত ৰাখিবৰ বাবে, যাতে পাহৰি যোৱাৰ উপক্ৰম নহয় বা আনক জনাবলৈ। এই ক্ষেত্ৰত আল্লাহ যাল্লা শ্বানহু সম্পূৰ্ণ ৰূপে মুক্ত আৰু পবিত্ৰ। সেয়েহে আনৰ বাবেই লিখিছে। অন্যান্য সকলৰ মাজত নবী (স্বাঃ) হ'ল সৰ্বাধিক প্ৰিয়। সেয়েহে সেই লিখনীৰ পৰা হুজুৰ পাক (স্বাঃ) নিঃসেন্দেহে অধিক উপকৃত হৈছে। অৰ্থাৎ লওহে মাহফুজৰ জ্ঞান তেওঁ (স্বাঃ) লাভ কৰিছে আৰু ই হ'ল ইল্মে গায়বৰ অৰ্ন্তভূক্ত।

৭। অদৃশ্য বিষয়বোৰৰ ভিতৰত সৰ্বাধিক গায়ব বা অদৃশ্য হ'ল আল্লাহৰ সত্তা। হজৰত মুছা (আঃ)এ যেতিয়া আল্লাহ পাকক দৰ্শনৰ কামনা কৰিছিল তেতিয়া আল্লাহ তাআ'লাই কৈছিল-"লান তাৰাউনী" অৰ্থাৎ- "তুমি মোক দৰ্শন কৰিব নোৱাৰা।" কিন্তু আমাৰ দয়াৰ নবী (স্বাঃ)এ মিঅ'ৰাজৰ ৰাতি আল্লাহ তাআ'লাক স্ব চকুৰে দৰ্শন কৰিছে। মিশ্বকাত শ্বৰীফৰ 'মাছজিদ' অধ্যায়ত হজৰত আব্দুৰ ৰহমান ইব্নে আয়েছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে হুজুৰ পাক (স্বাঃ)এ কৈছে-"মই আল্লাহ তাআ'লাক সুন্দৰতম আকৃতিত দেখিছো।" এতিয়া চাওঁক যি চকুৰ দ্বাৰা স্ৰষ্টাক দৰ্শন কৰিলে সেই চকুৰ আগত জানো কিবা গোপন থাকিব পাৰে।

দেওবন্দী সকলে হুজুৰ পাক (স্বাঃ)ৰ ইল্মে গায়ব (অদৃশ্য জ্ঞান)ৰ অস্বীকৃতিৰ সমৰ্থনত কেইটামান হাদীচৰ হাৱালা দিয়ে। ইয়াৰ উত্তৰ হ'ল- উক্ত হাদীচ কেইটাত হুজুৰ পাক (স্বাঃ)এ ক'তো এইবুলি কোৱা নাই যে "মোৰ ইল্মে গায়ব নাই" বা "মোক নিৰ্দিষ্ট বিষয়ৰ জ্ঞান দান কৰা হোৱা নাই।" কেৱল হাদীচ কেইটাৰ কোনোবাটোত আছে "আল্লাহ পাক সৰ্বাধিক জ্ঞাত।" কোনো ঠাইত আছে- "মই কি জানো?" আন কোনো ঠাইত আছে- কোনো এক নিৰ্দিষ্ট বিষয়ত হুজুৰ পাক (স্বাঃ)এ একো কোৱা নাই নাইবা আন কোনো ঠাইত আছে- হুজুৰ পাক (স্বাঃ)এ কোনো ব্যক্তিক এই কথাটো সুধিছিল। এনে ধৰণৰ দুই এটা উক্তিৰ উদ্ধৃতি দি দেওবন্দী সকলে হুজুৰ পাক (স্বাঃ)ৰ ইল্মে গায়বৰ অস্বীকাৰ কৰি আহিছে। ইয়াৰ অন্ধ অনুকৰণ কৰি এ, নাদৱীএ তেওঁৰ 'জীৱন জ্যোতি- ১৫ নং'ত হুজুৰ পাক (স্বাঃ)ৰ ইল্মে





গায়বৰ তিব্ৰ বিৰোধীতা কৰিছে।

এনে ধৰণৰ উক্তিৰ পৰা ইল্মে গায়বৰ অস্বীকৃতি নুবুজায়। কোনো কথা নোকোৱা, আনক প্ৰশ্ন কৰা বা আল্লাহেই অধিক জ্ঞাত কোৱাৰ মাজত অনেক কল্যাণময় উদ্দেশ্য নিহিত আছে। এনে কিছুমান বিষয় আছে যি আল্লাহ তাআ'লাই বান্দা সকলক ব্যক্ত কৰা নাই আনকি প্ৰশ্ন কৰাৰ পিছতো প্ৰত্যক্ষ ভাবে উত্তৰ নিদি গোপন ৰাখিছে। বুখাৰী শ্বৰীফত আছে- হজৰত আবু হুৰাইৰাহ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে- "আল্লাহৰ কিছু সংখ্যক ফৰিস্তাই জিক্ৰকাৰী সকলৰ মজলিছ বিচাৰি উলিয়াই নিজ পাখীৰ দ্বাৰা আবৃত কৰি লয় আৰু প্ৰথম আছমানলৈকে জমা হয়। আল্লাহ পাকে ফৰিস্তা সকলক প্ৰশ্ন কৰি কয়-"মোৰ বান্দা সকলে কি কৈ আছিল?" এতিয়া প্ৰশ্ন হ'ল আল্লাহ তাআ'লাও বান্দাৰ লগত নাথাকে নেকি। অথবা বান্দাৰ কাৰ্যকলাপ প্ৰত্যক্ষ নকৰে নেকি? আন কিছুমান বিষয় সম্পৰ্কত আল্লাহ ৰাব্বুল আ'লামিনে ফৰিস্তা সকলক প্ৰশ্ন কৰে, তেন্তে নাদৱী চাহেব বা দেওবন্দী সকলৰ মতে আল্লাহৰো সেই বিষয়ত জ্ঞান নাই নেকি? এ, নাদৱী চাহেবে নিজৰ ৰায়ৰ ওপৰত গৌৰৱ কৰি লিখিছে- "আল্লাহৰ বাহিৰে কাৰো ইল্মে গায়ব নাই।" আকৌ সেই একেই পৃঃত লিখিছে- "আল্লাহে নবীজীক যি ইল্ম দান কৰিছে সি একেবাৰে অবাক হ'বৰ কথা। আল্লাহে দিছে পাইছে, জনাইছে জানিছে। এই ইলিমক 'আট্টায়ি' কয়। আট্টায়ি মানে হ'ল খোদা প্ৰদত্ত।" (এ, নাদৱীৰ জীৱন জ্যোতি ১৫ নং, ৮ পৃঃ) আমি আহ্লে ছুন্নত ৱাল জামাআ'ত ইয়াৰ ওপৰত একমত। ইয়াৰ ওপৰত অস্বীকাৰ কৰাৰ প্ৰশ্নই নাহে। দেওবন্দী আৰু আহ্লে ছুন্নত ৱাল জামাআ'তৰ মাজত আচল মতবিৰোধ ঈমান আৰু কুফৰৰ ওপৰত। এয়া কোনো ব্যক্তিগত মতবিৰোধ নহয়। আহ্লে ছুন্নত ৱাল জামাআ'তৰ মতে যিয়ে আল্লাহে দান কৰাৰ পিছতো হুজুৰ পাক (স্বাঃ)ক ইল্মে গায়ব স্বীকাৰ নকৰিব সি নিশ্চিতভাৱে কাফিৰ আৰু দেওবন্দী সকলৰ মতে যিয়ে হুজুৰ পাক (স্বাঃ)ক ইল্মে গায়ব মানিব সি কাফিৰ। গতিকে ঈমান আৰু কুফৰৰ এখতেলাফ হ'ল। আহ্লে ছুন্নত ৱাল জামাআ'তে হুজুৰ পাক (স্বাঃ)ৰ ইল্মক আল্লাহ প্ৰদত্ত বুলি বিশ্বাস কৰে এনে ক্ষেত্ৰত নাদৱীএ "ছুন্নী দাবীদাৰ আলিমে কিতাপ অমান্য কৰি মুছলমানক দলদল কৰিছে"(এ, নাদৱীৰ জীৱন জ্যোতি ১৫ নং, ৮ পৃঃ) বুলি যি অভিযোগ আনিছে সেয়া গোকাট মিছা আৰু এক গৰিহণাযোগ্য ষড়যন্ত্ৰ। এইখিনিতে দেওবন্দী মুৰব্বী সকলৰ হুজুৰ পাক (স্বাঃ)ৰ পবিত্ৰ ইল্ম সম্পৰ্কত কেইটামান ভ্ৰান্ত আক্বীদাহ হুবহু উদ্ধৃত কৰা হৈছে— (১) "শ্বয়তান আৰু আজ্ৰাইল (আঃ)ৰ ইল্ম (জ্ঞান) হুজুৰ পাক (স্বাঃ)তকৈ বেছি।" (কিতাপ 'বাৰাহীনুল কাত্বীয়া' براہین قاطعہ পৃঃ ৫১ মৌঃ খলিল আহমদ এম্বুটয়ী)। (২) হুজুৰ পাক (স্বাঃ)ৰ ইল্ম (জ্ঞান)ৰ কি মৰ্য্যাদা আছে এই ধৰণৰ ইল্ম জায়েদ, উমৰ, বকৰ আনকি সৰু ল'ৰা, পাগল আৰু পশুৰো আছে (কিতাপ 'হিফ্জুল ঈমান', পৃঃ ৭, লিখক- মৌঃ আশ্ৰফ আলী থানৱী)। এয়াই হুজুৰ পাক (স্বাঃ)ৰ প্ৰতি এওঁলোকৰ আক্বীদাহ। নবী (স্বাঃ)ৰ লগত বেআদবী কৰা ব্যক্তি সম্পৰ্কে ফিকাহৰ বিখ্যাত গ্ৰন্থ 'দুৰ্ৰোল মুখতাৰ'ৰ 'মুৰ্তাদিন' অধ্যায়ত আছে-"যি ব্যক্তি নবুৱতৰ মহান দৰবাৰৰ

pdf By Syed Mostafa Sakib



লগত বেআদবী কৰিছে, কি কাফিৰ হ'ব আৰু তওবাৰ দ্বাৰাও তেওঁ কতল হোৱাৰ পৰা পৰিত্ৰাণ নেপায়।" (শ্বানে সবিবুৰ ৰসুমান, পৃঃ- ১১৬) পবিত্ৰ কুৰ্আনত আছে-"কিন্তু সন্মানটো আল্লাহ ও তেওঁৰ ৰছুল আৰু মুমিন সকলৰ বাবে। কিন্তু মুনাফিক সকলে সেইটো নুবুজে।" (ছুৰা- মুনাফিকুন, ৰুকু-১, আয়াত-৪)

এ,নাদৱী হ'ল এজন অহংকাৰী লোক আৰু নিজৰ ৰায়ৰ ওপৰত গৌৰৱ কৰা ব্যক্তি। উদাহৰণ স্বৰূপে তেওঁৰ যোৱা ০১/০৮/১৯৮৮ চনত প্ৰকাশিত 'অনৈক্যৰ হেতু আৰু ঈমানৰ সেতু' নামৰ কিতাপখনৰ হাদীচ কুৰ্আনৰ ভুল ব্যাখ্যা আঙুলিয়াই দি হজৰত মাওলানা মঃ মহিউদ্দিন আহমেদ ৰিজৱী চাহেবে 'ঈমানৰ প্ৰকৃত সেতু' নামেৰে এখনি কিতাপ প্ৰকাশ কৰে। কিন্তু নাদৱীয়ে নিজৰ ভুল কোনো কাৰণতেই আজিলৈকে স্বীকাৰ নকৰিলে। উক্ত কিতাপৰ ১৫ পৃঃত নাদৱীয়ে হজৰত ইব্নে মচউদ (ৰাঃ)ক আশ্বাবায়ে মোবাচ্ছাৰা বুলি কৈছে। আচলতে তেওঁ আশ্বাবায়ে মোবাচ্ছাৰাৰ অন্তৰ্ভুক্ত নহয়। তেখেতক বদৰী চাহাবা বুলি কোৱা হয়। মিশ্বকাত শ্বৰীফত উল্লেখ আছে-"যি ব্যক্তি নিজৰ ৰায়ৰ ওপৰত গৌৰৱবোধ কৰিব তাৰ বাবে হিদায়তৰ পথ ৰুদ্ধ কৰি দিয়া হ'ব।" নাদৱী যদি প্ৰকৃত গৱেষক হ'লহেঁতেন তেন্তে ইল্মে গায়বৰ সপক্ষে থকা হাদীচবোৰো উল্লেখ কৰিলেহেঁতেন। কিন্তু নকৰাৰ কাৰণটো কি? এয়াই হ'ল নিজৰ ৰায়ৰ ওপৰত অধিক গুৰুত্ব আৰু মুনাফিকী আচৰণ। তেওঁ ইল্মে গায়বৰ বিপক্ষে উল্লেখ কৰা কোনো এটা হাদীচৰে বিশ্লেষণ আগবঢ়োৱা নাই লগতে মুহাদ্দিচ সকলৰ ব্যাখ্যাও উল্লেখ নকৰি নিজৰ মতামতহে আগবঢ়াইছে। যি সমগ্ৰ ইছলাম সমাজৰ বাবে দুভাৰ্গ্যজনক। নাদৱীৰ ভাষ্য অনুসৰি ইল্মে গায়বৰ সমৰ্থনকাৰী আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ আ'লীম সকল হ'ল মূৰ্খ, দক্ষতাবিহীন, স্বাৰ্থান্বেষী ইত্যাদি। অৰ্থাৎ- কুৰ্আন হাদীচৰ জ্ঞান তেওঁলোকৰ নাই (নাউজুবিল্লাহ) সন্মানীয় পাঠক সকল আমি ওপৰত উল্লেখ কৰা ইমাম, ফকীহ, মুহাদ্দিচ, মুফাচ্‌চিৰীণ কিৰাম এই আটাইবোৰ উ'লামা কিৰামেই দক্ষতাবিহীন আছিলনে? আচলতে নাদৱী চাহেব হ'ল সমাজত বিশৃঙ্খলতা লগাব বিচৰা এজন গোড়া পথভ্ৰষ্টকাৰী। এনে ফিত্‌নাকাৰী সম্বন্ধে আল্লাহে কৈছে-"ফিত্‌না কৰাটো কতল কৰাতকৈ ডাঙৰ পাপ।" (পাৰা-২, ৰুকু-১১) গতিকে নাদৱীএ উপৰোক্ত উ'লামা কিৰাম সকলক "মুছলমান সকলক দল দল কৰিছে" বুলি কোৱাৰ আগতে নিজৰ স্ব অধ্যয়নৰ গভীৰতা সম্পৰ্কে ভাবি চোৱা উচিত।

**হুজুৰ পাক (স্বাঃ)ৰ ইল্মে গায়ব সম্পৰ্কত উত্থাপিত দেওবন্দী সকলৰ কেইটামান আপত্তিৰ প্ৰত্যুত্তৰঃ**

১। নং আপত্তি ঃ হজৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ ওপৰত জেনাহৰ অপবাদ দিয়া হৈছিল। কিন্তু আল্লাহৰ ৱহী নহা পৰ্য্যন্ত হুজুৰ পাক (স্বাঃ)এ ইয়াক মিছা বুলি প্ৰকাশ কৰা নাছিল? তেওঁ (স্বাঃ) ইল্মে গায়ব জনা থাকিলে ইমান চিন্তিত হৈ আল্লাহৰ ৱহীলৈ অপেক্ষা কৰা বাহ্যিক দৃষ্টিত কোনো কাৰণ থাকিব নোৱাৰে, বুজা গ'ল তেওঁ(স্বাঃ)ৰ ইল্মে গায়ব নাছিল?





উঃ উক্ত হাদীচটো বুখাৰী শ্বৰীফৰ ২য় খণ্ডৰ 'কিতাবুল মগাজি'ৰ 'হাদীচে ইফ্‌ক' অধ্যায়ত আছে। ইয়াৰ উত্তৰ কেইবা ধৰণে প্ৰদান কৰিব পাৰি। প্ৰথমে ইয়াত নোকোৱাটোহে প্ৰতীয়মান হৈছে, নজনাটো হোৱা নাই, নোকোৱাৰ দ্বাৰা নজনাটো প্ৰতীয়মান নহয়। দ্বিতীয়তে স্বয়ং আল্লাহ তাআ'লাইও বহুদিনলৈকে হজৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ নিষ্কলুষতা সম্পৰ্কীয় আয়াত নাজিল কৰা নাছিল। তেন্তে আল্লাহৰো এই বিষয়টো জনা নাছিল নেকি? তৃতীয়তে- বুখাৰী শ্বৰীফৰ উক্ত হাদীচতে আছে- "মা আলিমতু ইয়া আহ্‌লি ইল্লা খায়ৰাণ" অৰ্থাৎ-"মই মোৰ সহধৰ্মিনীক নিষ্কলুষ চৰিত্ৰৰ অধিকাৰিণী বুলি জানো।" প্ৰমাণিত হ'ল যে বিষয়টো নবী (স্বাঃ)ৰ সম্পূৰ্ণ জ্ঞাত আছিল কিন্তু নিৰ্দ্ধাৰিত সময়ৰ আগতে তাক প্ৰকাশ কৰা নাই। দেওবন্দী সকলে হাদীচটোৰ শেষৰ অংশ দেখা নাপালে নেকি? চতুৰ্থতে- প্ৰিয়নবী (স্বাঃ)এ বিষন্নতা আৰু বহুদিনলৈ নীৰৱতা অৱলম্বণ কৰাৰ অজ্ঞানতা নহয়। যদি কোনো সন্মানীয় ও মৰ্য্যাদা সম্পন্ন ব্যক্তিৰ বিৰুদ্ধে মিছা অভিযোগ উত্থাপন কৰা হয় আৰু অভিযুক্ত ব্যক্তি নিজেই জানে যে সেই অভিযোগ ভিত্তিহীন তথাপিও তেওঁ নিজৰ মানহানিৰ আশংকাত চিন্তিত আৰু উদ্বিগ্ন হৈ থাকে। পঞ্চমতে যদি প্ৰিয়নবী (স্বাঃ)এ ৱহীলৈ অপেক্ষা নকৰি লগে লগে হজৰত আইশ্বা স্বিদ্দীকা (ৰাঃ) নিষ্কলংক হোৱাৰ কথা ঘোষণা কৰিলেহেঁতেন, তেন্তে মুনাফিক সকলে স্বজনপ্ৰীতি ও পক্ষপাতিত্বৰ আন এক অপবাদ দিলেহেঁতেন। আনহাতে ধৈৰ্য্যধাৰণৰ বাবে হজৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)এ যি স্বাৱাব লাভ কৰিছে তাৰ পৰাও বঞ্চিত হ'লহেঁতেন আৰু মামলা মুকদ্দমা তদন্ত কৰাৰ প্ৰক্ৰিয়া ও ৰীতি-নীতি অজানা থাকিলেহেঁতেন। সেয়েহে প্ৰিয়নবী (স্বাঃ)এ নোকোৱাৰ অন্তৰালত বহুতো হিকমত লুকাই আছে। ষষ্ঠতে-হজৰত আইশ্বা (ৰাঃ)ৰ নিষ্কলুষতাৰ কথা নবী (স্বাঃ)ৰ মুখেৰে প্ৰকাশ কৰিবলৈ নিদি আল্লাহ পাকে নিজে প্ৰকাশ কৰিছে ইয়াৰ দ্বাৰা হজৰত মা আইশ্বা (ৰাঃ)ৰ মৰ্য্যাদা যিদৰে বৃদ্ধি পাইছে, সেইদৰে নবী (স্বাঃ)এ পক্ষপাতিত্বৰ অভিযোগৰ পৰাও মুক্তি লাভ কৰিছে।

২। নং আপত্তি ঃ হুজুৰ পাক (স্বাঃ)এ ইল্মে গায়ব জনা থাকিলে তেওঁ (স্বাঃ)ক খাদ্যৰ লগত কেতিয়াও বিষ খুওৱাব নোৱাৰিলেহেঁতেন?

উঃ সেই সময়ত খাদ্যৰ লগত বিষ মিশ্ৰিত থকা বুলি নবী (স্বাঃ)ৰ জনা আছিল যে, আল্লাহৰ আদেশত তেওঁ (স্বাঃ)ৰ ওপৰত সেই বিষ কাৰ্য্যকৰী নহয়। লগতে এই কথাও জনা আছিল যে মহান আল্লাহৰ ইচ্ছা যে তেওঁ (স্বাঃ) বিষ মিশ্ৰিত খাদ্য ভক্ষণ কৰক, মৃত্যুৰ সময়ত সেই বিষয়ৰ প্ৰতিক্ৰিয়া প্ৰকাশিত হওঁক ফলত শ্বাহাদত জনিত মৃত্যু হাচিল হওঁক। সেয়েহে আল্লাহৰ ইচ্ছাত সন্তুষ্ট থকাই আছিল তেওঁ (স্বাঃ)ৰ একমাত্ৰ কাম্য।

৩। নং আপত্তি ঃ হুজুৰ পাক (স্বাঃ) যদি ইল্মে গায়বৰ অধিকাৰী আছিল তেন্তে ফাঁকি দি ৭০ জন চাহাবাক 'মাউনা' নামক স্থানত লৈ কুফাবাসী মুনাফিক সকলে নিৰ্মমভাৱে কিয় শ্বহীদ কৰিলে? তেওঁলোকক নবী (স্বাঃ)এ কিয় এই বিপদৰ মুখলৈ ঠেলি দিলে? গতিকে বুজা গ'ল হুজুৰ পাক (স্বাঃ)ৰ ইল্মে গায়ব নাছিল?

pdf By Syed Mostafa Sakib



উঃ হুজুৰ পাক (স্বাঃ)এ জ্ঞাত আছিল যে 'বিৰে মাউনা' বাসী সকল মুনাফিক আছিল আৰু এইটোও জনা আছিল যে সিহঁতে সেই ৭০ জন চাহাবা কিৰাম (ৰাঃ)ক শ্বহীদ কৰিব। লগতে ইয়াকো জানিছিল যে, খোদাৰ ইচ্ছাও সেইটো আৰু সিহঁতৰ সময় ওচৰ চাপি আহিছে। তেওঁ (স্বাঃ) জানিছিল যে আল্লাহৰ ইচ্ছাৰ ওপৰত সন্তুষ্ট থকাই হ'ল বান্দাৰ কৰ্তব্য। হজৰত ইব্ৰাহীম (আঃ)এ আল্লাহৰ ইচ্ছাত স্বীয় আদৰৰ পুত্ৰক কুৰবাণী কৰিবৰ বাবে ছুৰী লৈ প্ৰস্তুত হৈছিল এইটোও নিৰীহ সন্তানৰ প্ৰতি জুলুম অত্যাচাৰ আছিলনে? কেতিয়াও নহয়, আনকি তেওঁ (স্বাঃ) খোদাপাকৰ ইচ্ছাৰ মাজতে নিজৰ ইচ্ছাক বিলীন কৰি দিছিল। প্ৰশ্ন হ'ল আল্লাহৰ নিশ্চয় জনা আছিল যে খাদ্যৰ লগত বিষ মিশ্ৰিত আছে, মাউনাবাসী মুনাফিক সকলে ৭০ জন চাহাবাক শ্বহীদ কৰিব। এই সময়ত আল্লাহ পাকে তৎক্ষণাত ৱহী নাজিল কৰি সেই আকস্মিক দুৰ্ঘটনাদ্বয়ৰ প্ৰতিৰোধ কিয় নকৰিলে? আল্লাহ বেখবৰ আছিল নেকি? নাউ'জুবিল্লাহ।

৪। নং আপত্তি ঃ হুজুৰ পাক (স্বাঃ)এ কৈছে-"মই নেজানো মোৰ লগত আৰু তোমালোকৰ লগত আল্লাহ তাআ'লাই কি কৰিব?" ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে হুজুৰ পাক (স্বাঃ)ৰ ইল্‌মে গায়ব নাছিল?

উঃ উক্ত হাদীচ বুখাৰী শ্বৰীফৰ ১ম খণ্ডৰ 'কিতাবুল জানায়েজ'ত হজৰত উম্মুল আলা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে। উক্ত হাদীচটোত হুজুৰ পাক (স্বাঃ)ৰ ইল্‌ম (জ্ঞান)ৰ অস্বীকৃতি প্ৰমাণিত হোৱা নাই। তেওঁ (স্বাঃ)ৰ লগত কেনে ধৰণৰ আচৰণ কৰা হ'ব সেই সম্পৰ্কে নবী (স্বাঃ) সম্পূৰ্ণ জ্ঞাত আছিল। পবিত্ৰ কুৰ্‌আনৰ ছুৰা বনী ইস্ৰাইলত আল্লাহ তাআ'লাই কৈছে- "আৰু ৰাতি কিছু অংশ জাগ্ৰত থাকি তাহাজ্জুদ কায়িম কৰক। এইটো আপোনাৰ বাবে অতিৰিক্ত। অতি সোনকালেই আপোনাৰ প্ৰভূ আপোনাক প্ৰতিষ্ঠিত কৰিব প্ৰশংসিত স্থানত।" (পাৰা-১৫, ৰুকু- ৯, আয়াত-৭৯) উক্ত আয়াতটিত হুজুৰ পাক (স্বাঃ)ৰ দুটা বৈশিষ্ট্য বৰ্ণনা কৰা হৈছে তাৰে এটা পৃথিৱীৰ আনটো হৈছে আখিৰাতৰ। পৃথিৱীত তেওঁ (স্বাঃ)ৰ বিশেষত্ব হ'ল তাহাজ্জুদৰ নামাজ পঢ়া আৰু আখিৰাতত 'মাকামে মাস্‌মুদ' বা প্ৰশংসিত স্থানত উপনীত হোৱা। ই এনে এক পবিত্ৰ স্থান য'ত উপনীত হৈ হুজুৰ পাক (স্বাঃ)এ সকলোৰে বাবে 'শ্বাফায়তে কুব্‌ৰা' বা সুমহান শ্বাফায়ত সম্পন্ন কৰিব। পূৰ্বাপৰ সকলো উম্মতেই শ্বাফায়তৰ বাবে ব্যস্ত হৈ ঘূৰি থাকিব আৰু প্ৰতিজন নবী (আঃ)এ ক'ব- "ইজ্‌হাবু ইলা গাইৰি" অৰ্থাৎ- অইন এজনৰ ওচৰলৈ যোৱা শেষত তেওঁলোকে হুজুৰ পাক (স্বাঃ)ক 'মাকামে মাস্‌মুদ'ত পাব। হুজুৰ পাক (স্বাঃ)ৰ উচ্চ মৰ্য্যাদা দেখি শত্ৰু-মিত্ৰ সকলোৱেই তেওঁ (স্বাঃ)ৰ প্ৰশংসা কৰিব। সেইবাবেই ইয়াক 'মাকামে মাস্‌মুদ' বা প্ৰশংসিত স্থান বোলা হয়।

মিশ্বকাত শ্বৰীফৰ 'ফাজ্জাঈলে ছায়্যিদুল মুৰ্ছালিন' শীৰ্ষক অধ্যায়ত আছে যে হুজুৰ পাক (স্বাঃ)এ কৈছে- "মই আদম সন্তান সকলৰ চৰ্দাৰ, সেইদিনাখন প্ৰশংসাৰ ঝাণ্ডা (পতাকা) মোৰ হাততেই থাকিব। হজৰত আদম (আঃ)ও সকলো আদম সন্তান মোৰ পতাকাৰ তলত অৱস্থান কৰিব।" তিৰ্‌মিজী শ্বৰীফত আছে- হুজুৰ পাক (স্বাঃ)এ কৈছে-"মোৰ বাবে আল্লাহৰ





ওচৰত 'ৱাস্বীলা' বিচৰা। চাহাবা সকলে আৰজ কৰিলে- হে আল্লাহৰ ৰছুল (স্বাঃ)! 'ৱাস্বীলা' কি? তেওঁ (স্বাঃ)এ ক'লে-"যান্নাতৰ মাজত সৰ্ব্বোচ্চ পদমৰ্য্যাদা। এজন লোকৰ বাহিৰে আন কোনেও তাৰ অধিকাৰী হ'ব নোৱাৰে। আশা কৰো মইয়ে হ'ম সেই ব্যক্তি।" হুজুৰ পাক (স্বাঃ)এ কৈছে- "মই বিচাৰৰ দিনা যান্নাতৰ দুৱাৰত উপস্থিত হৈ তাক খুলিব বিচাৰিলে প্ৰহৰীয়ে ক'ব, 'আপুনি কোন?' মই ক'ম মুসাম্মদ। সি ক'ব আপোনাৰ আগতে ইয়াক কোনো ব্যক্তিকে খুলি নিদিবলৈ মোৰ ওপৰত নিৰ্দেশ আছে। (মিশ্বকাত শ্বৰীফ)

হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মাইছে-"যান্নাতৰ পোচাকৰ পৰা মোক এটি পোচাক দান কৰা হ'ব। তাৰ পিছত মই আৰশ্বৰ সোঁফালে থিয় দিম। সৃষ্টিৰ ভিতৰত এনে কোনো নাথাকে যে মই ব্যতীত তাৰ অধিকাৰী হ'ব।" "ক্বিয়ামতৰ দিনা মইয়ে সৰ্বপ্ৰথম ছিজদা কৰিবলৈ আদিষ্ট হ'ম আৰু মইয়ে মূৰ দাঙিবলৈ আদেশ পাম। তেতিয়া মোৰ সম্মুখত যি আছে সকলো দেখা পাম। সকলো মানুহৰ মাজৰ পৰা মই মোৰ উম্মত সকলক চিনি পাম, সিহঁতৰ এদল মোৰ পিছত, এদল মোৰ সোঁফালে ও বাওঁফালে থাকিব।" আৰু হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মাইছে-"যেতিয়া মানৱ সকলক পুনৰুত্থান কৰিব মইয়ে প্ৰথম বাহিৰ হ'ম। যেতিয়া সিহঁতে প্ৰতিনিধিৰূপে যাব মইয়ে সিহঁতৰ নেতা হ'ম। যেতিয়া সিহঁতে নিৰৱে থাকিব মইয়ে সিহঁতৰ মুখপাত্ৰ হ'ম। যেতিয়া সিহঁতে আবদ্ধ হৈ থাকিব মইয়ে সিহঁতৰ বাবে শ্বাফায়ত কৰিম। যেতিয়া সিহঁত হতাশ হ'ব মইয়ে সিহঁতক সু-সংবাদ দিম। সন্মান ও কুঞ্জী মোৰ হাততে থাকিব। প্ৰশংসাৰ পতাকা মোৰ হাততে থাকিব। মোৰ প্ৰভূৰ ওচৰত আদম সন্তান সকলৰ মাজত মইয়ে বহু সন্মানিত হ'ম। মোৰ চাৰিওফালে এহেজাৰ চাকৰ-নাকৰ থাকিব। সিহঁতে যেন গুপ্ত মুক্তা ও বিক্ষিপ্ত মণি।" (তিৰ্‌মিজী শ্বৰীফ)

হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মাইছে- "মই পয়গাম্বৰ সকলৰ নেতা, কিন্তু ইয়াৰ বাবে মোৰ কোনো গৰিমা নাই, মই নবী সকলৰ আগমনৰ সমাপ্ত ঘোষণাকাৰী কিন্তু ইয়াৰ বাবে মোৰ কোনো অহংকাৰ নাই, আৰু শেষ বিচাৰৰ দিনা মইয়ে প্ৰথম প্ৰাৰ্থনাকাৰী ও মোৰ প্ৰাৰ্থনা গৃহীত হ'ব, কিন্তু ইয়াৰ বাবে মোৰ কোনো আত্ম-গৌৰৱ নাই।" (স্বসীস বুখাৰী, আলহাজ্ব আব্দুৰ ৰহমান খাঁৰ তৰ্জমা, পৃঃ নং- ২৪৯, জগতগুৰু মুসাম্মদ (স্বাঃ), পৃঃ নং-১৩)

পবিত্ৰ কুৰ্‌আনৰ ছুৰা কলমৰ ৩নং আয়াতত আছে-" আপোনাৰ বাবে অৱশ্যেই আছে অশেষ পুৰষ্কাৰ।" ছুৰা দোহাৰ ৪নং আয়াতত আছে-"আৰু নিঃসন্দেহে বৰ্তমানতকৈ পৰৱৰ্তী জীৱন আপোনাৰ বাবে অধিক ভাল হ'ব।" প্ৰমাণিত হ'ল যে হুজুৰ পাক (স্বাঃ)ৰ লগত আল্লাহ তাবাৰুক তাআ'লাই কেনে ব্যৱহাৰ কৰিব সেয়া প্ৰিয়নবী (স্বাঃ)এ নিশ্চয় জানিছিল। সেয়েহে দেওবন্দী সকলে নবী (স্বাঃ)ৰ লগত আল্লাহে কেনে ব্যৱহাৰ কৰিব তাক তেখেত (স্বাঃ)এ নজনা বুলি অপবাদ দিয়াটো কুফ্‌ৰী নহয়নে?

৫। নং আপত্তি ঃ এবাৰ হজৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ হাৰ হেৰাইছিল আৰু বিভিন্ন ঠাইত অনুসন্ধান কৰিও পোৱা নগ'ল। বহু দিন পিছতহে ইয়াক পোৱা গৈছিল। যদি নবী

pdf By Syed Mostafa Sakib



(স্বাঃ)এ ইল্মে গায়ব জানিলেহেঁতেন তেনেহ'লে ইমানদিন অনুসন্ধান কৰিব নালাগিলেহেঁতেন?

উঃ উক্ত হাদীচটোৰ পৰা নবী পাক(স্বাঃ)এ কথাষাৰ নোকোৱাটোহে বুজা যায়, নজনাটো প্ৰমাণিত হোৱা নাই আৰু নোকোৱাৰ অন্তৰালত অনেক হিক্মত লুকাই আছে। চাহাবা কিৰাম (ৰাঃ) সকলৰ কিছুমানে চন্দ্ৰৰ হ্ৰাস-বৃদ্ধিৰ কাৰণ জানিব বিচাৰিছিল, কিন্তু আল্লাহ ৰাব্বুল আ'লামিনে প্ৰকাশ কৰা নাছিল। তেন্তে আল্লাহ তাআ'লাও সেইটো জনা নাছিলনে? আল্লাহৰ ইচ্ছা আছিল যে হজৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ হাৰ হেৰুৱাই যাওঁক, মুছলমান সকলে সেইটো অনুসন্ধান কৰোতে জহুৰৰ নামাজৰ সময় হওঁক, পানী নেপাই হুজুৰ পাক(স্বাঃ)এৰ ওচৰত আৱজ কৰক যে সিহঁতে কি কৰিব। এই প্ৰসঙ্গতে আয়াতে তায়াম্মুম নাজিল হৈ হজৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ মৰ্য্যদা আৰু অধিক বিকশিত হওঁক।

হজৰত উমৰ ফাৰুক (ৰাঃ)ৰ পৰা বৰ্ণিত আছে হুজুৰ পাক (স্বাঃ)এ কৈছে-"আল্লাহ তাআ'লাই মোৰ সম্মুখত সমগ্ৰ পৃথিৱীখনকে তুলি ধৰিছে। তেতিয়া মই এই পৃথিৱী আৰু ইয়াত ক্বিয়ামত পৰ্য্যন্ত যি সংঘটিত হ'ব তাক এনেদৰে দেখিছো, যিদৰে মই মোৰ হাতখনক দেখা পাইছো।" (হজৰত আ'ল্লামা জুৰকানী (ৰহঃ)ৰ 'শ্বৰহে মাওৱাহিবে লাদুনিয়া)

পবিত্ৰ মিশ্বকাত শ্বৰীফৰ 'মাছাজিদ' অধ্যায়ত হজৰত আব্দুৰ ৰহমান ইব্নে আয়েছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে হুজুৰ পাক (স্বাঃ)এ কৈছে-"মই আল্লাহ তাআ'লাক সুন্দৰতম আকৃতিত দেখিছো। স্বীয় কুদৰতৰ হাতখন মোৰ বুকুৰ ওপৰত স্থাপন কৰিলে, যাৰ শীতলতা মই নিজ বক্ষস্থলত অনুভৱ কৰিলো। ফলত আছমান-জমিনৰ সকলো বস্তু সম্পৰ্কে অৱগত হৈছো।" আৰু আছে-"নভোমণ্ডল ও ভূমণ্ডলৰ প্ৰত্যেক বিষয় মোৰ সম্মুখত প্ৰকাশিত হ'ল আৰু মই ইয়াৰ সমস্ত তত্ত্বজ্ঞান লাভ কৰিলো।" অতি পৰিতাপৰ কথা যি পবিত্ৰ নয়ন যুগলে ক্বিয়ামত পৰ্য্যন্ত সকলো বস্তু ও অৱস্থা অৱলোকন কৰিছে, আল্লাহৰ পবিত্ৰ জাত দৰ্শন কৰিছে, যান্নাত-দোজোখ, কৰিস্তা আদি অৱলোকন কৰিছে, সেই নয়নৰ পৰা উটৰ তলত থকা হাৰ কেনেকৈ গোপন থাকিব পাৰে।

৬। নং আপত্তিঃ মদিনাবাসী আনচাৰ বিলাকে ফল বেছি পাবৰ নিমিত্তে মতা গছৰ শাখা আনি মাইকী গছত লগাইছিল। হুজুৰ পাক (স্বাঃ)এ তেওঁলোকক উক্ত কামৰ পৰা নিষেধ কৰিলে, আনচাৰ সকলে হুজুৰ পাক (স্বাঃ)ৰ আদেশ মানি সেই কাম এৰি পেলালে, কিন্তু সময়ত কম ফল পোৱাৰ অভিযোগ কৰি হুজুৰ পাক (স্বাঃ)ৰ খিদ্মতত আহি গ'ল তেতিয়া হুজুৰ পাক (স্বাঃ)এ ফৰ্মালে-"আন্তুম আলামু বিউমুৰে দুনীয়াকুম" অৰ্থাৎ তোমালোকে সাংসাৰিক কামবোৰৰ সম্বন্ধে জানা। ইয়াৰ দ্বাৰা বুজা গ'ল যে হুজুৰ পাক (স্বাঃ)ৰ ইল্মে গায়ব অৱগত নাছিল?

উঃ ইয়াৰ উত্তৰ দুই ধৰণে প্ৰদান কৰিব পাৰি। প্ৰথম উক্ত হাদীচত ইল্মে গায়ব বুজোৱা হোৱা নাই কাৰণ হুজুৰ পাক (স্বাঃ)এ কৈছে- "তোমালোকৰ পাৰ্থিৱ কাজ-কৰ্মৰ বিষয়ে অধিক জ্ঞাত। পাৰ্থিৱ কাজ-কৰ্ম, খেতি-বাতি কৰা আদিৰ জ্ঞান ইল্মে গায়ব বা অদৃশ্য জ্ঞান





নহয়, ই হ'ল ইন্দ্ৰিয়লব্ধ জ্ঞান। দ্বিতীয়তে হুজুৰ পাক (স্বাঃ)কতৃক-"**তোমালোকে সাংসাৰিক কামবোৰৰ সম্বন্ধে অধিক জ্ঞাত**" কোৱাৰ মাজত তেখেত (স্বাঃ)ৰ বিৰক্তি বা অসন্তোষহে প্ৰকাশ পাইছে। তেওঁ (স্বাঃ)এ ক'ব বিচাৰিছে যে তোমালোকে যিহেতু ধৈৰ্য্যধাৰণ কৰা নাই, সেয়ে তোমালোকেই তোমালোকৰ বিষয়ে ভালদৰে জানা। যেনে আমি কাৰোবাক কিবা কথা ক'লে তেনে ব্যক্তি দোধোৰ-মোধোৰ কৰি থাকিলে কওঁ যে ইমান চিন্তা কৰিছা যেতিয়া, তোমাৰ বিষয়টো তুমিয়ে ভালদৰে জানা, কি কৰিবা। এনে উক্তিৰ লক্ষ্যাৰ্থ জ্ঞানৰ অস্বীকৃতি নহয়।

বিখ্যাত হাদীচ বিশাৰদ ও ভাষ্যকাৰ হজৰত মোল্লা আ'লী ক্বাৰী (ৰহঃ)এ 'শ্বৰহে শ্বিফা'ৰ 'মুঅ'জিজাত' শীৰ্ষক অধ্যায়ত লিখিছে-"আল্লাহ তাআ'লাই হুজুৰ পাক (স্বাঃ)ক দ্বীন-দুনীয়াৰ সকলো কল্যাণময় বিষয় সম্পৰ্কে অৱহিত কৰিবৰ বাবে মনোনীত কৰিছে। এই লৈ এতিয়া আপত্তি হৈছে যে তেওঁ (স্বাঃ) যেতিয়া আনচাৰ সকলৰ বৃক্ষৰাজিত তালকীহ কৰা চাই কৈছিল যে সেই অভ্যাস পৰিত্যাগ কৰাই তোমালোকৰ বাবে মঙ্গলজনক। সেয়ে সিহঁতে এই প্ৰথা এৰি দিলে। কিন্তু ইয়াৰ দ্বাৰা কোনো লাভ নহ'ল বা ফলন কম হ'ল। তেতিয়াই সিহঁতৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত হুজুৰ পাক (স্বাঃ) কৈছিল-"তোমালোকৰ সাংসাৰিক ক্ষেত্ৰত তোমালোকেই ভাল জানা।" শ্বাইখ ছিন্নোছী (ৰহঃ)এ কৈছে-"তেওঁ (স্বাঃ)এ বিচাৰিছিল যে সিহঁতৰ চিৰাচৰিত অভ্যাসৰ বিপৰীত কাৰ্য্য কৰি সিহঁতে নিৰ্ভৰশীলতাৰ তোৰণদ্বাৰত উপনীত হওঁক। সেয়েহে তেওঁ (স্বাঃ) কৈছিল-"**তোমালোকেই অধিক জ্ঞাত।**" যদি সিহঁতে এইটো মানি ল'লেহেঁতেন আৰু দুই এক বছৰ ক্ষতি স্বীকাৰ কৰিলেহেঁতেন, তেন্তে এই অহেতুক পৰিশ্ৰমৰ পৰা ৰক্ষা পালেহেঁতেন।"

হজৰত মোল্লা আ'লী ক্বাৰী (ৰহঃ)এ 'শ্বৰহে শ্বীফা'ৰ ২য় খণ্ডৰ ২৩৮ পৃঃত উল্লেখ কৰিছে-" যদি সিহঁতে হুজুৰ পাক (স্বাঃ)ৰ কথাত অটল হৈ থাকিলহেঁতেন, তেন্তে সেই নিয়ত (উৎপাদনত) অনেক দূৰলৈ আগুৱাই গ'লহেঁতেন আৰু সিহঁতৰ এই 'তলকীহ'ৰ কষ্টও দূৰীভূত হৈ গ'লহেঁতেন।" গতিকে এয়া ইল্মে গায়ব নজনাৰ দলিল হ'ব নোৱাৰে। ওপৰোক্ত কুৰ্আন পাকৰ ইবাৰত, হাদীচ শ্বৰীফ আৰু ফুক্বাহা কিৰামৰ দলিলৰ পৰা স্পষ্টভাৱে প্ৰমাণিত হ'ল যে দয়াৰ নবী ৰসূমতে আ'লম (স্বাঃ)আল্লাহ প্ৰদত্ত ইল্মে গায়ব (অদৃশ্য জ্ঞান)ৰ অধিকাৰী আছিল।

ওপৰোক্ত তথ্য আৰু দলিলৰ পৰা স্পষ্ট হৈ পৰে যে হুজুৰ নবী কৰীম (স্বাঃ)ৰ ইল্মে গায়ব থকাটো নাদৱীএ কোৱাৰ দৰে কোনো বেৰেলবী (ছুন্নী)ৰ উদ্ভাৱিত নহয় ই সম্পূৰ্ণ কুৰ্আন, হাদীচ তথা ফুক্বাহা কিৰামৰ দলিলৰ পৰা অহা। এ, নাদৱীএ হুজুৰ পাক (স্বাঃ)ৰ পবিত্ৰ ইল্মে গায়বৰ ওপৰত তেওঁৰ 'জীৱন জ্যোতি-১৫ নং'ত যিখিনি মন্তব্য কৰিছে সেই মন্তব্যটো তেনেই তুলুঙা। ইল্মে গায়ব বিষয়টো তেওঁ (নাদৱী) ভবাৰ দৰে ইমান পাতল আৰু সীমিত নহয়। ই এটা গভীৰ বিষয়। এই সম্পৰ্কত অধিক গৱেষণাৰ প্ৰয়োজন আছে। তেওঁ কোৱাৰ দৰে এটা ব্যক্তিগত মন্তব্য কৰিয়েই এই বিষয়টো সামৰিব পৰা নাযায়। আমি নাদৱী

pdf By Syed Mostafa Sakib



চাহেবক প্ৰত্যাহ্বান জনালো ইল্‌মে গায়ব সম্পৰ্কত কুৰ্আন পাক ও হাদীচ শ্বৰীফৰ দ্বাৰা দলিল সহ হুজুৰ পাক (স্বাঃ)ৰ ইল্‌মে গায়ব নাই বুলি প্ৰমাণ কৰক। তেখেত(স্বাঃ)এ কি কি বিষয়ত জ্ঞাত নাছিল তাৰ সম্পূৰ্ণ তালিকা (List) তেওঁ প্ৰকাশ কৰক। উল্লেখ্য যে নাদৱী তথা সমস্ত দেও বন্দী পন্থী সকলে হুজুৰ পাক (স্বাঃ)ৰ ইল্‌মে গায়ব নাই বুলি চিঞৰি আছে। কিন্তু আশ্চৰ্য্যৰ বিষয় যে তেওঁলোকৰ মুৰব্বী তথা হোতা সকলৰ ইল্‌মে গায়ব তথা হাজিৰ নাজিৰ গুণ থকাটো সম্পূৰ্ণ ৰূপে বিশ্বাস কৰে। তাৰ কেইটামান জ্বলন্ত উদাহৰণ তেওঁলোকৰ কিতাপৰ পৰা হুবহু উদ্ধৃত কৰা হৈছে—

(১) এবাৰ দেওবন্দ মাদ্ৰাছাত আ'লীম সকলৰ মাজত কাজিয়া হৈছিল। তাত মৌঃ মাহমুদুল হাচান শ্বৰীক হৈছিল। এই সময়ত মৌঃ ৰফিউদ্দিনে মৌঃ মাহমুদুল হাচানক নিজৰ কোঠালৈ মাতি ক'লে-"এই মাত্ৰ কাছিম নানথৱী সোঁশৰীৰে মোৰ ওচৰত উপস্থিত হৈছে। মৃত্যুৰ পিছত তেওঁ এইদৰে সোঁ-শৰীৰে মোৰ সন্মুখত উপস্থিত হোৱাত মই ভয়ত আঁতুৰ হৈছিলো। তেওঁ কৈছিল-"মাহমুদুল হাচানক কৈ দিয়া যে তেওঁ যেন এই বীবাদত অংশ গ্ৰহণ নকৰে। তাৰ পিছত মাহমুদুল হাচানে ক'লে-"মই আপোনাৰ ওচৰত তৌবাহ কৰিছো ভৱিষ্যতে মই এই বীবাদত নোসোমাও।" (আৰ্ৱাহে ছালাছা-২৪২ পৃঃ) ইয়াত দেখা যায় যে কাছিম নানথৱী (দেওবন্দ মাদ্ৰাছাৰ প্ৰতিষ্ঠাতা) মৃত্যুৰ পিছতো কবৰত থাকি ইল্‌মে গায়বৰ জৰিয়তে দেওবন্দ মাদ্ৰাছাৰ কাজিয়াৰ কথা গম পাই লগে লগে সোঁ-শৰীৰে উপস্থিত হৈছিল। নাউ'জুবিল্লাহ। কাছিম নানথৱী সম্পৰ্কত দেওবন্দী সকলৰ আক্বীদা- কাচিম নানথৱী এজন ফৰিস্তা আছিল। (আৰ্ৱাহে চালাচা, ১৮৩ পৃষ্ঠা)। তেওঁ যেন আল্লাহৰ কোলাত বহি আছে। (মুবাচ্চাৰাতে দাৰুল উ'লুম দেওবন্দ, পৃষ্ঠা ৬৩, ছাৱানিহে কাছিমী, পৃঃ ১৩১/১৩২)। তেওঁ এজন প্ৰকৃত নবীৰ কবৰত আছে। (মুবাচ্চাৰাতে দাৰুল উ'লুম দেওবন্দ, পৃষ্ঠা ৭০)।

(২) মৌঃ কাছিম নানথৱীএ কৈছে-" শ্বাহ আব্দুৰ ৰহিম বিলায়তীৰ এজন মুৰীদ আছিল। তেওঁৰ নাম আব্দুল্লাহ খাঁ। তেওঁৰ ওচৰত যদি কোনোবাই গৰ্ভৱতী মহিলাৰ কাৰণে তাবীজ নিবলৈ আহিছিল তেওঁ লগে লগে মন্তব্য কৰিছিল ল'ৰা হ'বনে ছোৱালী হ'ব আৰু সেয়াই হৈছিল।" মৌঃ কাছিম নানথৱী হজ্ব কৰিব যোৱাৰ আগতে আব্দুল্লাহ খাঁ ৰাজপুতৰ ওচৰলৈ গৈ দুআ' বিচাৰিছিল তেতিয়া তেওঁ এইবুলি কৈছিল-"ভাই! মই তোমাৰ কাৰণে কি দুআ' কৰিম মই দেখিবলৈ পাইছো যে তুমি দুই জাহানৰ বাদশ্বাহ ৰছুলুল্লাহ (স্বাঃ)ৰ ওচৰত বুখাৰী শ্বৰীফ পাঠ কৰি আছা।" (আৰ্ৱাহে ছালাছা; পৃঃ ১৬৩,২৫৪)

(৩) (ক) এদিন এজন মানুহে হাদিয়া হিচাপে মৌঃ আশ্ৰফ আলীক অলপ গুড় আনি দিছিল, কিন্তু তেওঁ গ্ৰহণ নকৰিলে, পাছত তত্ব লৈ জনা গ'ল যে সেয়া জাকাতৰ গুড় আছিল। (খ) কোনোবা ভক্তই কিবা অসুখ-বিসুখৰ নিবাময়ৰ বাবে দুআ' বিচাৰি তেওঁলৈ পত্ৰ লিখিলে লগে লগে আৰোগ্য হৈছিল। (গ) আশ্ৰফ আলী থানৱীৰ এজন খলিফাই কৈছে-" এবাৰ মই আলিগড়ৰ এখন শিল্প প্ৰদৰ্শনীত দোকান দিছিলো। মগ্‌ৰিবৰ পিছত হঠাৎ এখন





দোকানত জুই লাগিল। মই মোৰ বস্তুবোৰ সামবাত ভাগৰি পৰিছিলো। হঠাৎ দেখিলো হজৰত থানৱী চাহেবে মোৰ বস্তুবোৰ সামৰাত মোক সহায় কৰি আছে। পাছত জানিব পাৰিলোঁ যে হজৰত থানৱী সেই সময়ত থানভুনতে আছিল।" এয়া কি হাজিৰ নাজিৰৰ উদাহৰণ নহয়? এয়া তেওঁ গায়েবী খবৰ পায় উপস্থিত হোৱা নাই? আনহাতে আশ্ৰফ আলী থানৱীৰ জন্মৰ আগতেই মাক গৰ্ভৱতী হৈ থাকোতে গোলাম মুৰ্ত্তজা পানীপতিয়ে ভৱিষ্যত বাণী কৰিছিল- "এওঁৰ গৰ্ভত দুটি শিশুৰ জন্ম হ'ব। দুয়োটি জীৱিত থাকিব। এটিৰ নাম আশ্ৰফ আলী আৰু আনটিৰ নাম আকবৰ আলী ৰাখিবা।" এয়া ইল্‌মে গায়ব নহয়নে? আশ্ৰফ আলী বাল্যকালত যেতিয়া বাহিৰলৈ ওলাই গৈছিল, তেতিয়া আকাশৰ ডাৱঁৰে তেওঁক ছাঁ দি ধৰিছিল। (অসমীয়া বেহেস্তী জেওৰ, পৃঃ ১৩, ২, ৫ প্ৰকাশক-মৰ্কজুল মা'আৰিফ হোজাই)

(৪) 'দাৰুল উ'লুম বাশকান্দি' মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক মৌঃ আহমদ আলীএ এদিনাখন দিল্লীৰ পৰা ট্ৰেইনেৰে আহি থকা অৱস্থাত তেওঁলোকৰ ডবাটোত তিৰোতা এজনী আৰু ১০ বছৰীয়া ছোৱালী এজনী উঠিল। কিছু সময় পিছত মৌঃ আহমদ আলীয়ে তীক্ষ্ণ দৃষ্টিৰে চাব ধৰিলে কিছু সময় পিছত তিৰোতাজনী সেই ডবাটোৰ পৰা নামি গ'ল। তাৰ পিছত আহমদ আলীয়ে তেওঁৰ সংগী সকলক কলে-"দেখচায় ঐ বেতি জিন্দা আছে না মাৰা গেল।" তেওঁ গৈ দেখিলে যে তিৰোতাজনীৰ ইতিমধ্যে মৃত্যু হৈছে। আহমদ আলীয়ে কলে- "বহু সময়ৰ আগৰ পৰাই আজ্ৰাইল (আঃ)এ তিৰোতাজনীৰ ৰুহ কবজ কৰিবলৈ আহিছিল কিন্তু মানুহজনী আমাৰ ডবাৰ ভিতৰত মৃত্যুবৰণ কৰিলে আমাৰ বদনাম হ'ব বুলি মই আজ্ৰাইল (আঃ)ৰ হাতৰ ফালে একেথৰে চাই আছিলো আৰু আল্লাহৰ ওচৰত দুআ' কৰি আছিলো।" (শ্বেখ মৌঃ চাইদুৰ ৰহমানৰ 'বেহেস্ত আৰু দোজোখ নামা, পৃঃ৭১-৭২)

এইবিলাক কথাই প্ৰমাণ কৰে যে ওপৰত উল্লেখ কৰা ব্যক্তি সকলৰ অদৃশ্য জ্ঞান আছিল। এই জ্ঞানটো নবী কৰীম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ কিমান বাঢ়ি যাব চিন্তা কৰক।

আল্লাহ পাকে আমাৰ ভুল-চুক মাফ কৰক।

সহায়ক গ্ৰন্থঃ 'কানজুল ঈমান শ্বৰীফ', 'জা-আল হাক্ব', 'আনোৱাৰুল হাদীচ', 'বাহাৰে শ্বৰীঅ'ত', 'ফত্‌ৱায়ে ৰিজৱীয়া', 'মাদাৰিজুন্নুবুৱাত', 'জজ্‌বুল কুলুব', 'ছীৰাতে মুস্তাফা', 'আক্বীদা ইল্‌মে গায়ব দলিল কী ৰৌশনী মে'।

(যোৱা ২, ৯, ১৬, ২৩ আৰু ৩০ নৱেম্বৰ, ২০১২ তাৰিখৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত)

*বিঃদ্ৰঃ ইয়াত উল্লেখ কৰা 'মুসাম্মদ', 'ৰসুমত', 'মাসমুদ' 'কুৰ্আন', 'ফৰিস্তা', 'দুআ', 'সাবীৰ' আদি প্ৰকৃত আৰবী উচ্চাৰণ ভঙ্গীত লিখিবলৈ প্ৰয়াস কৰা হৈছে। আৰু (স্বাঃ) লিখা ঠাইত স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম, (ৰাঃ)ৰ ঠাইত ৰাদ্বি য়াল্লাহু আ'নহু, (ৰহঃ)ৰ ঠাইত ৰাহ্‌মাতুল্লাহি আ'লাইহ পঢ়িবৰ বাবে অনুৰোধ থাকিল।*

pdf By Syed Mostafa Sakib



| দেওবন্দী আক্বীদাহ | ইছলামী আক্বীদাহ |
| --- | --- |
| ১। আল্লাহ পাকে মিছা ক'ব পাৰে। (মৌঃ খলিল আহমদ এম্বুটয়ীৰ 'বাৰাহিনুল কাত্বীয়া ও মৌঃ মাহমুদুল হাচানৰ 'জাদুল মকিল, মৌঃ ৰচিদ আহমদ গংগুহীৰ 'ফাতাৱায়ে ৰচিদীয়া, ১ম খণ্ড, পৃঃ ১৯) | ১। মিছা কোৱা ইত্যাদিৰ পৰা আল্লাহ পাক সম্পূর্ণৰূপে পাক আৰু পবিত্ৰ। আল্লাহে মিছা ক'ব পাৰে বুলি কোৱাটো ধৰ্মহীনতাৰ পৰিচয়। |
| ২। আল্লাহ পাকক স্থান, কাল গঠন ও আকৃতিৰ পৰা পবিত্ৰ বুলি ভবা বিদ্আ'ত। (মৌঃ ইছমাঈল দেহ্লৱীৰ 'ইজাহুল হক' দ্ৰঃ) | ২। আল্লাহ পাক স্থান, কাল, গঠন, আকৃতিৰ পৰা পবিত্ৰ। তেওঁ কোনো ঠাই বা সময়ৰ লগত আবদ্ধ নহয়। |
| ৩। "বান্দা সকলৰ কাৰ্য্যসমূহৰ ক্ষেত্ৰত আল্লাহ তাআ'লাই আগৰে পৰা অৱগত নহয় যেতিয়া কোনো বান্দাই ভাল বা বেয়া কাম কৰে তেতিয়াহে তেওঁ জ্ঞাত হয়।" (মৌঃ ৰচিদ আহমদ গংগুহীৰ শিষ্য মৌঃ হুছেইন আলীৰ 'বালাগাতুল জীৰাণ' নামৰ গ্ৰন্থৰ ৫৭ পৃঃ) | ৩। আল্লাহ পাক আলিমুল গায়ব (সৰ্ববিষয়জ্ঞাত)। ইল্মে গায়ব আল্লাহৰ ৰাব্বুল ইৰ্খতৰ বৈশিষ্ট্য। ইয়াত সন্দেহ কৰা সম্পূর্ণ কুফ্ৰী। |
| ৪। "হুজুৰ পাক (স্বাঃ)ৰ তুলনা ও দৃষ্টান্ত সম্ভৱ।" অর্থাৎ হুজুৰ পাক (স্বাঃ)ৰ দৰে মানুহ হ'ব পাৰে। (মৌঃ ইছমাঈল দেহ্লৱীৰ 'একৰুজাহ'ৰ ১৪৪ পৃঃ) | ৪। আল্লাহ তাআ'লা অতুলনীয় সৃষ্টিকৰ্তা আৰু তেওঁৰ মাস্বুব (স্বাঃ) অতুলনীয় বশ্বৰ। তেওঁ (স্বাঃ) সমস্ত জগতৰ বাবে ৰস্মত আৰু গুণাহ্গাৰ সকলৰ শ্বাফায়তকাৰী। |
| ৫। "হুজুৰ পাক (স্বাঃ)ক ভাই বোলা জায়েজ, কিয়নো তেখেতো এজন মানুহ। (মৌঃ খলিল আহমদ এম্বুটয়ীৰ 'বাৰাহীনুল কাত্বীয়া ও মৌঃ ইছমাঈল দেহ্লৱীৰ তাক্বিয়াতুল ঈমান দ্ৰঃ) | ৫। হুজুৰ পাক (স্বাঃ)ক সাধাৰণ শব্দৰ দ্বাৰা মাতা হাৰাম আৰু যদি অৱজ্ঞাৰ নিয়তত হয় তেনেহ'লে কুফ্ৰী। (আল্-কুৰ্আন) হুজুৰ পাক (স্বাঃ)ক ইয়া ৰাছুলাল্লাহ, ইয়া সাবিবাল্লাহ বোলা জৰুৰী। |
| ৬। "হুজুৰ পাক (স্বাঃ)এ দেওবন্দ মাদ্ৰাছাৰ পৰা উৰ্দু শিক্ষা লাভ কৰিছে।" (মৌঃ খলিল আহমদ এম্বুটয়ীৰ 'বাৰাহিনুল কাত্বীয়া'ৰ ২৬ পৃঃ দ্ৰঃ) | ৬। আল্লাহ পাকে হজৰত আদম (আঃ)ক সমস্ত ভাষাৰ শিক্ষা দিছে। হুজুৰ পাক (স্বাঃ)ৰ জ্ঞান হজৰত আদম (আঃ)তকৈ বেছি। সেয়ে যিয়ে কয় হুজুৰ পাক (স্বাঃ)এ অমুক মাদ্ৰাছাৰ পৰা শিক্ষা লাভ কৰিছে, সি ধৰ্মদ্ৰোহী। |
| ৭। "যদি মানি লোৱা যায় হুজুৰ পাক (স্বাঃ)ৰ পিছত কোনো নবী পয়দা হয়, তেনেহ'লে হুজুৰ (স্বাঃ)ৰ 'খাতামান্নাবীঈন'ত কোনো পাৰ্থক্য আহি নপৰে।" অর্থাৎ- হুজুৰ পাক স্বাল্লাল্লাহ আ'লাইহি ৱা ছাল্লাম শেষ নবী নহয়, তেখেত (স্বাঃ)ৰ পিছত আৰু নবী আহিব পাৰে। (মৌঃ কাছিম নানথৱীৰ 'তাহ্জিৰুণ নাছ' পৃঃ ৪ দ্ৰঃ) | ৭। কুৰ্আন শ্বৰীফত হুজুৰ পাক (স্বাঃ)ক 'শেষ নবী' বুলি নিৰ্দিষ্ট কৰি দিছে। হুজুৰ পাক (স্বাঃ)এ নিজেই স্বীকাৰ কৰিছে তেওঁ (স্বাঃ) 'শেষ নবী' আৰু তেওঁ (স্বাঃ)ৰ পিছত নবী নাহে। কোনোৱে যদি নবী বুলি দাবী কৰে অথবা নবী আহিব পাৰে বুলি ধাৰণা কৰে তেনেহ'লে সেই সকল লোক নিশ্চিতভাৱে কাফিৰ। |
| ৮। "আ'মল সমূহৰ ক্ষেত্ৰত বাহ্যিকভাৱে উম্মত নবীৰ সমান হৈ যায়, আনকি বহু ক্ষেত্ৰত অতিক্ৰমো কৰে।" (মৌঃ কাছিম নানথৱীৰ 'তাহ্জিৰুণ নাছ', পৃঃ৪, মকতবা থানৱী, দেওবন্দ) | ৮। নবীৰ বাহিৰে কোনো ৱলী, গৌছ ইল্ম ও আ'মলৰ ক্ষেত্ৰত নবীৰ সমকক্ষ হ'ব নোৱাৰে। এনেকি কোনোৱে যদি উহুদ পাহাৰ পৰিমাণৰ দান কৰে চাহাবা কিৰাম (ৰাঃ)ৰ সামান্য দানৰ সমকক্ষ নহ'ব। |
| ৯। "শ্বয়তান আৰু আজ্ৰাইল (আঃ)ৰ জ্ঞান হুজুৰ (স্বাঃ)তকৈ বেছি।" (মৌঃ খলিল আহমদ এম্বুটয়ীৰ 'বাৰাহিনুল কাত্বীয়া', পৃঃ ৫১) | ৯। যি ব্যক্তি সৃষ্টিকুলৰ কাৰোবাক হুজুৰ পাক (স্বাঃ)তকৈ বেছি জ্ঞানী বুলি ভাবে সি কাফিৰ (শ্বিফা শ্বৰীফ) সৃষ্টি জগতৰ সকলোতকৈ হুজুৰ (স্বাঃ) অধিক জ্ঞানী। |
| ১০। হুজুৰ পাক (স্বাঃ)ৰ ইল্ম (জ্ঞান)ৰ কি মৰ্য্যাদা আছে এই ধৰণৰ ইল্ম জায়েদ, উমৰ, বকৰ আনকি সৰু ল'ৰা, পাগল আৰু পশুৰো আছে (মৌঃ আশ্ৰফ আলী থানৱীৰ 'হিফ্জুল ঈমান', পৃঃ ৭) | ১০। হুজুৰ পাক (স্বাঃ)ৰ কোনো পবিত্ৰ বৈশিষ্ট্যক সাধাৰণ বস্তুৰ লগত তুলনা কৰা অৰ্থাৎ সমকক্ষ বুলি গণ্যকৰা কুফ্ৰী। |
| ১১) "ৰাস্মাতুল্লিল আ'লামিন হুজুৰ পাক (স্বাঃ)ৰ কাৰণে খাচ নহয়। বৰং আউলিয়া, আম্বিয়া ও উলামাএ ৰাব্বানীসকলো 'ৰাহমাতুলল্লিল আ'লামিন' হ'ব পাৰে।" (ফত্ৱায়ে ৰচিদীয়া, পৃঃ ৯৬) থানৱীৰ জীৱনীকাৰে থানৱীক 'ৰাস্মাতুলিল আ'লামিন' বুলি ঘোষণা কৰিছে। (আশ্ৰাফুচ চাৱানেহ খঃ ৩, পৃঃ ১৫৩)। | (১১) কুৰ্আন মযীদত এই বিশেষ উপাধিটি হুজুৰ পাক (স্বাঃ)ৰ কাৰণে নিৰ্দিষ্ট কৰি দিছে। তেওঁৰ বাহিৰে কাৰো বাবে 'ৰাস্মাতুলল্লিল আ'লামিন প্ৰযোজ্য নহয়। |

*(উৎসঃ মুফ্তী আহমদ ইয়াৰ খাঁ নঈমী (ৰহঃ)ৰ 'জা-আল হাক্ক')*

pdf By Syed Mostafa Sakib

## নাতে ৰছুল (স্বাঃ) ঃ নবী প্ৰশস্তি

### ছালামে ৰাজা

মুস্তাফা জানে ৰস্‌মত পে লাখো ছালাম।
শ্বমএ' বয্‌মে হিদায়ত পে লাখো ছালাম।।
মেহ্‌ৰে চৰ্‌খে নবুওৱত পে ৰৌশ্বন দৰূদ।
গোলে বাগে বিচালত পে লাখো ছালাম।।
শ্বেহ্‌ৰে য়াৰে ইৰম তাজ্‌দাৰে হাৰম।
নৌবাহাৰে শ্বাফাআ'ত পে লাখো ছালাম।
আৰশ্বতা ফৰশ্ব হে জিচকে যেৰে নাগী।
উছ্‌কি কাহিৰ বিয়াচত পে লাখো ছালাম।।
ফৎহে বাবে নবুওৱত পে বেহদ দৰূদ।
খত্‌মে দৌৰে বিচালত পে লাখো ছালাম।।
লাইলাতুল কাদ্‌ৰ মে মাতলাঈল ফজৰে হক।
মাংগ কি ইস্তিকামত পে লাখো ছালাম।।
দূৰ ও নযদীগ্‌ কে চুন্‌নেৱালে ৰ' কান।
কানে লালে কেৰামতে পে লাখো ছালাম।।
জিচকে মাথে শ্বাফাআ'ত কা ছেহ্‌ৰা ৰাহা।
উচ্‌ জবীনে ছাআ'দত পে লাখো ছালাম।।
জিচ্‌কে ছাজদেকো মেহৰাবে কা'বা ঝুকি।
উন ভাওঁকী লাটা-ফৎ পে লাখো ছালাম।।

*(উৎসঃ হাদায়েকে বখ্‌শ্বিচ)*

Printed at: Paramount Offset, Bordoulguri, Darrang (Assam)
Mobile No. 9854046383

কুৰ্‌আন হাদীচৰ আলোকত

# ইল্‌মে গায়বৰ আক্বীদাহ

কালামুল ইছলাম- ৩

قران حدیث کی روشنی مي عقيده علم غيب

১। "আল্লাহ পাকে তেওঁৰ মনোনীত ৰছুল সকলৰ বাহিৰে অন্য কাৰোবাক অদৃশ্য বিষয় সম্পৰ্কে অৱগত নকৰে।" (ছুৰা 'জীন', আয়াত ২৬, ২৭)

২। "এই নবী (স্বাঃ) গায়ব প্ৰকাশৰ ক্ষেত্ৰত কৃপণ নহয়।" (ছুৰা 'তাকবীৰ' আয়াত ২৩)

৩। "হুজুৰ পাক (স্বাঃ)এ সেই ক্ষেত্ৰত ক্বিয়ামত পৰ্য্যন্ত যি সংঘটিত হ'ব সকলো বস্তুৰে সংবাদ দিছে, একোৰে বাদ দিয়া নাই। যিসকলৰ বাবে সম্ভৱপৰ, সিহঁতে সকলো মনত ৰাখিছে আৰু বহুতেই পাহৰিও গৈছে।" (মিশ্বকাত শ্বৰীফ, বুখাৰী ও মুছলিম শ্বৰীফ)

৪। হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মাইছে-"আল্লাহ তাআ'লাই মোৰ সন্মুখত সমগ্ৰ পৃথিৱীকে এনেদৰে সংকুচিত কৰি দিছে যে, মই পৃথিৱীৰ পূব প্ৰান্ত ওপশ্চিম প্ৰান্তৰ সকলো বস্তু নিজ চকুৰে অৱলোকন কৰিছো।" (মিশ্বকাত শ্বৰীফ)

محمد فاروق عبدالله نوری

মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী